# আপোনাৰ ভবিষ্যতৰ কথা ভাবক

উইলিয়াম মেক'ডনাল্ড

Authentic

HYDERABAD

***Aapunar Bhobishwator Kotha Bhabok***

(Assamese)

Think of Your Future
by William MacDonald

First Assamese edition 2015

ISBN: 978-93-85080-44-9

All rights reserved.
No part of this publication may be reproduced in any form or by any means, electronic, or mechanical, including photocopying, recording, or any information storage and retrieval system, without permission in writing from the publisher.

Published by
Authentic Books
Logos Bhavan, Suchitra Junction, Secunderabad 500 067, Telangana.
www.authenticindia.in

Authentic Books is an imprint of Authentic Media (India), the publishing division of OM Books Foundation.

Printed and bound in India by
Authentic Media, Secunderabad 500 067

# সূচীপত্ৰ


| | |
|---|---|
| ১· জীৱন সলনি কৰা সত্য | 07 |
| ২· মাত্ৰ এটা জীৱন | 09 |
| ৩· ইমান চমু | 13 |
| ৪· অনন্ত কাল | 15 |
| ৫· সোণালী সময় | 17 |
| ৬· অনন্ত কালৰ বাবে কামত অহা শিক্ষা | 21 |
| ৭· আপোনাৰ ভৱিষ্যত আপুনি নিৰ্বাচন কৰে | 25 |
| ৮· উচ্চাকাংক্ষা: জ্ঞানী অথবা অন্যথায় ? | 29 |
| ৯· জীৱনৰ ডাঙৰ বাধ্যবাধকতা | 33 |
| ১০· জীৱনৰ মহৎ অংগীকাৰবদ্ধতা | 39 |
| ১১· জীৱিকাৰ ভূমিকা | 43 |
| ১২· কৈফিয়ৎ, ছলনা আৰু অজুহাত | 49 |
| ১৩· অনুৰাগৰ জীৱন | 53 |

মই যেতিয়া মৃত্যুমুখী হম, কিমান আনন্দিত হম মই
যে মোৰ জীৱনৰ প্ৰদীপ জ্বলি জ্বলি
নুমাল তোমাৰ বাবেই।
মই আনন্দিত হম, শ্ৰম, বা ধন,
যিহকে মই দিলোঁ এজন পাপীক ৰক্ষা কৰিবলৈ;
বেয়া নাপাওঁ মই যে পথ আছিল ওখোৰা-মোখোৰা,
এয়ে যথেষ্ট যে তোমাৰ প্ৰিয় চৰণে পথ দেখুৱাই নিছিল।
মই যেতিয়া মৃত্যুমুখী হম, কিমান আনন্দিত হম মই
যে মোৰ জীৱনৰ প্ৰদীপ জ্বলি জ্বলি নুমাল তোমাৰ বাবেই।

- বাছনি

# ১· জীৱন সলনি কৰা সত্য

এটি মহান সত্যই প্ৰায়ে এজন মানুহৰ সমস্ত জীৱিকা প্ৰভাৱিত কৰে। তেওঁ বহু বছৰ নিয়মিত পদ্ধতিত চলি থাকিব পাৰে; তাৰপাছত, দৈৱক্ৰমে যেন তেওঁৰ এটি বাক্য বা বাক্যাংশৰ লগত সাক্ষাত হয়, আৰু সেই দিনৰ পৰা তেওঁ যেন আৰু আগৰ মানুহজন হৈ নাথাকে। তেওঁৰ জীৱনৰ সমস্ত দিশেই সলনি হৈ যায়।

*হাড'ছন টেইলৰৰ লগত এনেকুৱাই হৈছিল।* দেউতাকৰ পুথিভৰালত উদ্দেশ্যহীনভাৱে চকু ফুৰাই থাকোঁতে, এইষাৰ শব্দ-বিন্যাসৰ ওপৰত তেওঁৰ চকু পৰিছিল, "খ্ৰীষ্টৰ সমাপ্ত কাৰ্য।" এই সত্যই তেওঁক নিৰিষ্ট কৰিলে; যদি খ্ৰীষ্টই কাৰ্য সমাপ্ত কৰিলে, তেন্তে ত্ৰাণকৰ্ত্তাক বিশ্বাস কৰাৰ বাহিৰে তেওঁৰ আৰু কৰিবলৈ একো নাই। তেওঁৰ প্ৰাণ পোহৰ আৰু শান্তিৰে উপচি পৰিল। কিছু বছৰৰ পাছত, তেওঁ চীন দেশৰ অভ্যন্তৰীণ শুভবাৰ্ত্তালৈ মুকলি কৰিবলৈ আগবাঢ়ি গল।

কাউন্ট জিন'জেন'ডৰ্ফৰ লগতো এনেকুৱাই হৈছিল। জাৰ্মানীৰ এজন যুৱক হিচাপে, এদিন তেওঁ ক্ৰুচৰ ওপৰত থকা খ্ৰীষ্টৰ এখন চিত্ৰৰ আগত থিয় হৈ আছিল। চিত্ৰখনৰ তলত এইষাৰ কথা আছিল:

*"চোৱা! এয়া তোমাৰ কাৰণে মই কৰিলোঁ।"*

এই সত্যৰ পৰা জিন'জেন'ডৰ্ফ সম্পূৰ্ণৰূপে ভাগি পৰিল, আৰু তেতিয়াই যীচু খ্ৰীষ্টক তেওঁৰ ত্ৰাণকৰ্ত্তা স্বৰূপে গ্ৰহণ কৰিলে।

কিন্তু তেওঁ আকৌ চালে আৰু তলত আন শব্দ লিখি থোৱা দেখিবলৈ পালে:

*"মোৰ কাৰণে তুমি কি কৰিছা ?"*

এই কঠিন সন্ধানী প্ৰশ্নৰ দ্বাৰা পুনৰ আলোড়িত হৈ, তেওঁ প্ৰেমপূৰ্ণ আত্ম-বিসৰ্জনৰে তেওঁৰ জীৱন খ্ৰীষ্টক দিলে। আজি মৰেভিয়ান মিছনেৰী আন্দোলনৰ ইতিহাসত তেওঁৰ নাম সুগন্ধিময় হৈ আছে। ডুৱাইট' এল'· মুডীৰ লগতো এনেকুৱাই হৈছিল। অলপ আগতে তেওঁ ইংলেণ্ডত এটি ধৰ্মপ্ৰচাৰৰ অভিযান সমাপ্ত কৰিছিল আৰু এজন প্ৰসিদ্ধ ইংৰাজ প্ৰচাৰক, হেন'ৰী ভাৰ'লীক বিদায় জনাইছিল। বিদায় বেলাৰ প্ৰত্যাহ্বান হিচাপে ভাৰলীয়ে তেওঁক কলে, "মিষ্টাৰ মুডী, ঈশ্বৰৰ ইচ্ছালৈ সম্পূৰ্ণৰূপে নিজকে এৰি দিয়া এজন মানুহৰ লগত ঈশ্বৰে কি কৰিব পাৰে পৃথিৱীয়ে এতিয়াও দেখা নাই।" মুডীয়ে তেওঁৰ মনৰ পৰা এই সাংঘাতিক কথাখিনি

আঁতৰাব নোৱাৰিলে; সেই কথাখিনিয়ে তেওঁৰ মনৰ মাজত দোলা দি থাকিল।

"ঘৰলৈ বুলি সমুদ্ৰ-পথেদি যাত্ৰা কৰোঁতে মহাসমুদ্ৰৰ ঢৌত, নিউয়ৰ্কৰ পদপথত খোজকাঢ়োঁতে তাৰ ওপৰত, আৰু চিকাগোলৈ ৰেলেৰে গৈ থাকোঁতে ভূমিদৃশ্যৰ ওপৰত সেই কথাখিনি লিখি থোৱা যেন লাগিল।" সেই কথাখিনিয়ে তেওঁৰ সমস্ত পৰৱৰ্তী জীৱনক প্ৰভাৱান্বিত কৰিলে, আৰু আজি তেওঁৰ শ্ৰমৰ অৱধি আৰু সাৰ্থকতাই নিজেই সাক্ষ্য দিয়ে।

অন্য শ শ লোকে একে কাহিনীয়েই কব পাৰে। তেওঁলোকে যেতিয়া নিৰুদ্বেগ খোজেৰে জীৱনৰ মাজেদি গৈ আছিল, তেতিয়া হঠাতে দৈৱক্ৰমে তেওঁলোকে মানুহে জীৱনত অনুকৰণ কৰা এটি মহান বুনিয়াদী সত্যৰ সন্ধান পালে। ইয়াৰ যুক্তিযুক্ততা বা আৱেগে তেওঁলোকক খামুচি ধৰিলে। এয়ে তেওঁলোকৰ মন-প্ৰাণক প্ৰজ্বলিত কৰিলে। তেওঁলোক আৰু কেতিয়াও একে হৈ থাকিব নোৱাৰিলে। এটি মহান দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত হৈ, ঈশ্বৰৰ বাবে ইতিহাস ৰচিবলৈ তেওঁলোক আগুৱাই গল।

আমালৈও এনে ঘটনা ঘটিব পাৰে! সত্য চিৰন্তন আৰু আনৰ জীৱনত ক্ৰান্তিকাৰী পৰিবৰ্ত্তন সাধন কৰা সেই একে সুগভীৰ উক্তিবোৰে মধ্যমীয়া জীৱন-নিৰ্বাহৰ পৰা আমাক বচাব পাৰে আৰু সময় আৰু অনন্ত কালত কৃতকাৰ্যতাৰ নিশ্চয়তা দিব পাৰে।

যদিহে আমি আগ্ৰহী হওঁ! যদিহে শুনিবলৈ যথেষ্ট সময় মনে মনে থাকিবলৈ আমি আগ্ৰহী হওঁ! যদিহে সততাৰে আৰু সাহসেৰে এই সত্যবোৰৰ মুখামুখি হবলৈ আমি আগ্ৰহী হওঁ! যদিহে সেইবোৰৰ যুক্তিযুক্ত সিদ্ধান্তবোৰ ভাবি ওলিয়াবলৈ আমি আগ্ৰহী হওঁ! যদিহে সেই মতে কাৰ্য কৰিবলৈ, প্ৰবল অনুভূতিৰে অগ্ৰসৰ হবলৈ ন্যায্য সঁহাৰি দিবলৈ আমি আগ্ৰহী হওঁ!

সকলো তাৰ ওপৰতে নিৰ্ভৰ কৰে! সেই গৌৰৱময় দৰ্শন অনুসৰণ কৰিবলৈ আমি সাজু নে? গতিকে, অধিক আগলৈ পঢ়াৰ আগতে, আমি তলত দিয়া প্ৰশ্নকেইটাৰ, যেন ঈশ্বৰৰ উপস্থিতিত, উত্তৰ দিয়া উচিত:

*প্ৰভুৱে মোলৈ কথা কোৱালৈ মই ইচ্ছুক নে?*

*মই তেওঁক চৰ্তবিহীনভাৱে মানি চলিম নে?*

*এনে কিবা আছে নে কি যিটো তেওঁৰ বাবে ত্যাগ কৰিবলৈ মই আগ্ৰহী নহম?*

# ২· মাত্ৰ এটা জীৱন

এই পৃথিৱীত আমাৰ অস্তিত্বৰ বিষয়ে পোনপটীয়াকৈ চিন্তা কৰাৰ যি কোনো প্ৰচেষ্টাই সচকিত কৰি তোলা এই উপলব্ধিক গ্ৰহণ কৰি লব লাগিব যে আমি ইয়াত মাত্ৰ এবাৰেই জীয়াই থাকোঁ। আমি তেনেহলে এই কৰুণ নিশ্চয়তাৰে আৰম্ভ কৰিব নালাগিব জানো:

## মাত্ৰ এটা জীৱন

প্ৰভু যীচুৰ জীৱনত যে ই এটা মহৎ প্ৰণোদিত কৰা প্ৰভাৱ আছিল তাক যোহন ৯:৪ পদত তেওঁ কোৱা বাক্যৰ দ্বাৰা প্ৰদৰ্শিত হয়:

দিন থাকোঁতেই মোক পঠোৱা জনাৰ কৰ্ম মই কৰিব লাগে। যি কালত কোনেও কৰ্ম কৰিব নোৱাৰে, এনে ৰাতি আহিছে। "দিন থাকোঁতেই।" "ৰাতি আহিছে।" "মাত্ৰ এটা জীৱন।"

এই কথাবোৰ যাতে আমি নাপাহৰোঁ, তাৰবাবে আমাৰ অন্তৰত পুৰি সোমাই যোৱাকৈ এইবোৰ যদি তপত, সাঁচ বহোৱা লোহাৰ নিচিনা হলহেতেন! এটা জীৱন! মাত্ৰ এটা জীৱন! কিমান অনিৰ্বচনীয়ভাৱে গাম্ভীৰ্যপূৰ্ণ!

আৰু আমি সেই জীৱনৰ মূল্য ভাবিব লাগে! মোলৈ মোৰ জীৱন কিমান মূল্যৱান? ইয়াৰ বিনিময়ত মই কিমান লম? স্পষ্টকৈ আমি কোনেও ইয়াৰ ওপৰত দামৰ লেবেল লগাব নোৱাৰোঁ কাৰণ আমালৈ ই কিমান সীমাহীন মূল্যৰ।

আমি জীৱনৰ সম্ভাৱনাবোৰৰ কথাও ভবা উচিত! এই পৃথিৱীত জন্ম লোৱা প্ৰত্যেকটো লৰা যোহন বা যিহূদা, পৌল বা পীলাত হব পাৰে! ভাল বা বেয়াৰ বাবে, ফলপ্ৰসূতা বা মূল্যহীনতাৰ বাবে, সুখ বা দুখৰ বাবে সীমাহীন সম্ভাৱনা।

এই বাস্তৱবোৰে যেতিয়া আমাক খামুচি ধৰে, আমি উপলব্ধি কৰোঁ যে জীৱন এটি পবিত্ৰ দায়িত্ব, যে ইয়াক নষ্ট কৰিব নালাগে, কিন্তু সম্ভাব্য সৰ্বোত্তম ব্যৱহাৰৰ বাবে ইয়াক সমৰ্পিত কৰিব লাগে।

"মানুহে অপব্যৱহাৰ কৰাৰ বাবে ই নহয়; জীৱনটো চমু। আৰু পাপ ইয়াতে আছে। আমাৰ জীৱন এখিলা সৰাপাত,

এটোপাল চকুলো। খেলি নষ্ট কৰিবলৈ আমাৰ নাই সময়;

আমাৰ নিচিনা এখন জগতত সকলোৱে হব লাগিব দৃঢ়প্ৰতিজ্ঞ।
অনেক জীৱন নহয়, কিন্তু আমাৰ আছে মাত্ৰ এটা জীৱন– এটা, মাত্ৰ এটা; কিমান পবিত্ৰ হোৱা উচিত সেই এটা জীৱন
সেই সংকীৰ্ণ কাল! দিনৰ পাছত দিন পুণ্য শ্ৰমেৰে পৰিপূৰ্ণ।
ঘন্টাৰ পাছতো ঘন্টা আনে কষ্টৰ নৱ প্ৰতিদান।
– হৰেচিয়াছ' ব'নাৰ "অনেক জীৱন নহয়!" "এটা, মাত্ৰ এটা!" "সেই সংকীৰ্ণ কাল!"

এই এটা জীৱনৰ পৱিত্ৰতাক আৰ্হিৰে বুজাবলৈ, ই আমাক সৰ্বসাধাৰণতে চি·ই· টেথামে ব্যৱহাৰ কৰা এটা উদাহৰণ মনত পেলাই দিয়ে। মাকৰ লগত বজাৰ কৰি থকা এজনী সৰু ছোৱালীক খাদ্য-সামগ্ৰী কিনাৰ পাছত অলপ মিঠাই কিনিবলৈ অনুমতি দিয়া হৈছিল। তাই আইনাৰ কেইছ'টোৰ আগত থিয় হৈ, নানা চাৰিচুকীয়া, আইনাৰ থালিত থকা বিভিন্ন ধৰণৰ মনোমোহা মিঠাইবোৰ নিৰিষ্ট মনেৰে লক্ষ্য কৰিলে। প্ৰথমতে তাই এখন থালিত থকা বস্তুবোৰলৈ আঙুলিয়াই কয়, "মোক ইয়াৰে এটা লাগে।" দোকানীজনে সেইটোলৈ ঠিক হাত মেলোতেই, তাই অন্য এবিধলৈ তাইৰ মনোযোগ আঁতৰাই নিয়ে আৰু দোষী মনোভাৱেৰে কয়, "নহয়, মোক ইয়াৰহে এটা লাগে।" অনিশ্চয়তাৰ তেনে কেইবাটাও উদাহৰণৰ পাছত, বিৰক্তি পোৱা মাকে তাইক এই বুলি ধমক দিলে, "মাজনী, সোনকাল কৰা আৰু তোমাৰ মন বান্ধা।" এই কথাত, সৰু ছোৱালীজনীয়ে আকৰ্ষণীয় যুক্তিৰে উত্তৰ দিলে, "কিন্তু মা, খৰচ কৰিবলৈ মোৰ মাত্ৰ এটাহে আধলি আছে।"

"মাত্ৰ এটা আধলি!" "মাত্ৰ এটা জীৱন!" ইয়াক বিজ্ঞতাৰে অতিবাহিত কৰিবলৈ নিশ্চয় কৰক।

এই কথা আমাক অবিৰত মনত পেলাই থকাৰ আৱশ্যক। এই উদ্দেশ্যৰে গ্ৰেট' ব্ৰিটেইনৰ প্ৰয়াত ৰজা পঞ্চম জৰ্জ্জে তেওঁৰ মেজত এটি মূলমন্ত্ৰ ৰাখিছিল। উনৈশ শতিকাৰ আগভাগত আমেৰিকান কুৱেকাৰ', ষ্টিফেন গ্ৰেলেটে লিখা এই মূলমন্ত্ৰটি এনে ধৰণৰ আছিল:

মই এই পৃথিৱীৰ মাজেদি মাত্ৰ এবাৰেই যাম। গতিকে মই যদি কোনো সুকৰ্ম কৰিব পাৰোঁ বা মই যদি কোনো মনুষ্যলৈ কোনো দয়া দেখুৱাব পাৰোঁ,
তাক মই এতিয়াও কৰোঁহঁক।
মই যেন তাক পিছুৱাই নাৰাখোঁ বা অৱহেলা নকৰোঁ,
কাৰণ মই এই পথেদি দুনাই নাযাওঁ।

আৰু এভিছ' বি- খ্ৰীষ্টিয়ানছেনে তেওঁৰ এটি কবিতাত পৃথিৱীৰ চমু সময়ৰ গম্ভীৰ আভাস বন্দী কৰিছিল: *

যাচিবলৈ মাত্ৰ এটি জীৱন, হে যীচু মোৰ প্ৰভু আৰু ৰজা;

তোমাৰ প্ৰশংসা কৰিবলৈ, আৰু তোমাৰ দয়াৰ গীত গাবলৈ, মাত্ৰ এখনি জিভা;

মাত্ৰ এখনি অন্তৰৰ অনুৰাগ—ত্ৰাণকৰ্ত্তা, ই যেন কেৱল তোমাৰ তুলনাহীন মহিমালৈ হয় উৎসৰ্গিত, তোমালৈ সম্পূৰ্ণ সমৰ্পিত।

মাত্ৰ এই ক্ষণ মোৰ, প্ৰভু; তোমাৰ বাবে যেন হয় ব্যৱহৃত;

প্ৰতিটো অস্থায়ী মুহূৰ্ত্ত যেন গণ্য হয় অনন্তকালৰ বাবে; চৌপাশে আত্মাৰ হৈছে মৃত্যু, মৃত পাপ আৰু লজ্জাত; তেওঁলোকলৈ তোমাৰ গৌৰৱান্বিত নামত কালবাৰীৰ মুক্তিৰ বাণী আনিবলৈ সহায় কৰা মোক।

যাচিবলৈ মাত্ৰ এটি জীৱন, কাকূতি কৰিছোঁ, প্ৰিয় প্ৰভু, তাক লোৱা; তোমাৰ পৰা একো ধৰি নৰখাকৈ, তোমাৰ কামনা পালন কৰোঁ মই এতিয়া; মোৰ বাবে তোমাৰ সকলো মুক্তহস্তে দিয়া যি তুমি, এই জীৱন তোমাৰ নিজৰ বাবে ব্যৱহাৰ কৰিবলৈ দাবী কৰা, মোৰ ত্ৰাণকৰ্ত্তা, তোমাৰ বাবেই প্ৰতিটো মুহূৰ্ত্ত।

আমি তেনেহলে এই প্ৰথম মহৎ জীৱন সলনি কৰা সত্য, মাত্ৰ এটা জীৱনৰ, সততাৰে সন্মুখীন হওঁহঁক, আৰু নিজকে সোধোঁ ইয়াৰ পৰিপ্ৰেক্ষিতত দৃষ্টিপাত কৰিলে আমাৰ সাম্প্ৰতিক কাৰ্যকলাপ আৰু অভিলাষবোৰ যোগ্য হয় নে নহয়।

# ৩· ইমান চমু

জীৱনৰ একত্বৰ ধীৰ বিবেচনা যদি প্ৰচণ্ড জোকাৰেৰে পূৰ্ণ, ইয়াৰ ক্ষণস্থায়ীতাৰ চিন্তাই আৰু কিমান বেছি জোকাৰনি দিব। জীৱনটো যদি এহেজাৰ বছৰ, বা পাঁচ হেজাৰ বছৰ, বা আনকি দুই শতিকা জুৰিও হলহেতেন, তেন্তে আমাৰ যে মাথোন এটা জীৱনহে আছে এই কথাটোৱে একে ধৰণৰ তৎপৰতাৰ ভাৱৰ উদয় নকৰিলেহেতেন। কিন্তু আমি যেতিয়া উপলব্ধি কৰোঁ যে আমি কোনেও এই পৃথিৱীত আজিৰ পৰা এশ বছৰ, আৰু আমাৰ অধিকাংশই তাৰ আধা সময়ো জীয়াই নাথাকোঁ, কোনে বাৰু এই সমস্ত দ্ৰুততাৰ দ্বাৰা অবিচলিত হৈ থাকিব!

আপুনি কিমান দিন জীয়াই থাকিব বুলি আশা কৰে? বাইবেলত বিবেচনা কৰা জীৱনৰ গড় দৈৰ্ঘ্য তিনি কুৰি দহ বছৰ, বা সত্তৰ বছৰ (গীতমালা ৯০:১০)। ধৰি লওক, মুহূৰ্ত্তটোৰ বাবে, যে আপুনি সিমান দিন বাচি থাকিব! প্ৰথমতে আপুনি তাৰ পৰা আপোনাৰ বৰ্ত্তমানৰ বয়স বিয়োগ কৰিব লাগিব। সেয়ে আপোনাক আপুনি জীয়াই থাকিবলৈ আশা কৰা বাকী বছৰকেইটাৰ সংখ্যা কব। কিন্তু এই অংকৰ পৰাও আপুনি শোৱাত, চাকৰিত, দৰকাৰী কৰ্তব্যত, অসুস্থতা আৰু অক্ষমতাত কটোৱা সময় বাদ দিব লাগিব। তেনেহলে যীচু খ্ৰীষ্টৰ বাবে স্বাধীন, মুক্ত সেৱাৰ বাবে আপোনাৰ কিমান সময় বাকী থাকিল? উত্তৰটো হল, "বৰ বেছি নহয়!"

জীৱনৰ ক্ষণস্থায়িত্ব বৰ্ণনা কৰিবলৈ শাস্ত্ৰই অস্থায়িত্বৰ ভাষা উজাৰি দিছে।

> মোচিয়ে ইয়াক নিদ্ৰাৰ লগত তুলনা কৰিছে।
> দায়ূদে ইয়াক ছায়া বুলি কৈছে। ইয়োবে ইয়াক তাঁতীৰ মাকুৰ লগত তুলনা কৰিছে।
> যাকোবে ইয়াক ভাপ বুলি ভাবে।
> পিতৰে ইয়াক শুকাই যোৱা তৃণৰ দৰে দেখে।
> দ্ৰুততাৰে, নিৰ্মমভাৱে, ই আহে আৰু যায়, আৰু তাৰ লগতে ইয়াৰ উজ্বলিত সুযোগবোৰো।

ইয়াত আমাৰ স্থায়ী বাসস্থানৰ আত্মসন্তুষ্টিৰ মনোভাৱক সমাধি গৃহ, শৱদেহ কঢ়িওৱা গাড়ী, সমাধিক্ষেত্ৰই ভেঙুচালি কৰে। এই কথা সোঁৱৰাই নিদিয়াকৈ এটা দিনো পাৰ নহয় যে "কেচুৱাৰ বিছনা আৰু কফিন একে গছৰ পৰাই কাটি গঢ়া হয়।"[১]

আৰু যদি আপত্তি কৰা হয় যে খ্ৰীষ্টিয়ানৰ প্ৰত্যাশা মৃত্যু নহয় কিন্তু প্ৰভুৰ পুনৰাগমণহে, তেনেহলে জীৱনৰ অনিশ্চয়তাৰ পক্ষে যুক্তি আৰু সবল হয়। কাৰণ মৃত্যুৰ আগতে আমাৰ কিছুমানৰ যদিও কেইবাটাও দশকৰ স্বাভাৱিক আশা থাকিব পাৰে, তথাপি ত্ৰাণকৰ্ত্তাৰ আগমণৰ সংকেত দিয়া চিঞৰ, মাত আৰু ঈশ্বৰৰ তুৰীধ্বনিৰ আগত আনকি এটি মাত্ৰ ঘন্টা বিচৰাৰো আমাৰ কাৰো কাৰণ নাথাকে। তেওঁৰ আবিৰ্ভাৱৰ আসন্নতা ঘোষণা কৰাত ভৱিষ্যদৰ্শী বাক্যৰ লগতে নতুন ৰাজনৈতিক পৰিস্থিতি আৰু নৈতিক অৱনতিয়েও যোগ দিয়ে।

এই সকলোৰ অৰ্থ কি? কেৱল ইমানেই – যে ঈশ্বৰৰ বাবে জীয়াই থকাৰ যাৰ ইচ্ছা আছে, তেওঁৰ নষ্ট কৰিবলৈ সময় নাই। যে তেওঁ প্ৰত্যেকটো মিনিটক এক পৱিত্ৰ কৰ্ত্তব্য হিচাপে চাব লাগে। যে তেওঁ প্ৰত্যেকটো ঘন্টাক জোখিব নোৱাৰা সীমাহীন মূল্যৰ বুলি বিবেচনা কৰিব লাগে। যে তেওঁ অতি শীঘ্ৰে খ্ৰীষ্টৰ শোধবিচাৰৰ আসনৰ আগত প্ৰতিটো দিনৰ সন্মুখীন হবলৈ পৰিকল্পনা কৰিব লাগিব।

প্ৰত্যেক ৰাতিপুৱা মাছেডন' ৰাজ্যৰ ফিলিপক এজনী দাসীয়ে কৈছিল, "ফিলিপ, মনত ৰাখিব যে আপুনি মৰিবই লাগিব!" তেওঁ প্ৰত্যেকটো দিন সেই অনিবাৰ্য সত্যৰ পৰিপ্ৰেক্ষিতত জীয়াই আছিল।

প্ৰত্যেক ৰাতিপুৱা বাইবেলৰ যোগেদি পবিত্ৰ আত্মাই আমাক সোঁৱৰাই দিব যে আমিও "এটি মাত্ৰ চমু দিনৰ বাবে জন্ম পোৱা, ক্ষয় হোৱা মাটিৰ বস্তু।" আমিও অনন্তকালৰ পৰিপ্ৰেক্ষিতত আমাৰ জীৱন যাপন কৰা উচিত।

সহায় কৰা মোক এই ক্ষণবোৰৰ মূল্য জানিবলৈ,
সহায় কৰা মোক সকলো অপচয়ৰ মূৰ্খামি দেখা পাবলৈ;
সহায় কৰা মোক মোৰ দুখ বহন কৰা খ্ৰীষ্টত ভাৰসা কৰিবলৈ,আৰু জীৱন বা মৃত্যুৰ বাবে ইয়াকে তোমালৈ সমৰ্পিত কৰিবলৈ।

মোৰ সকলো দিনবোৰত মহিমান্বিত হোৱা, হে প্ৰভু যীচু,
মোৰ সকলো পথত তোমাৰ নিজৰ চকুৰে চলোৱা মোক;
যেতিয়া আৰু যেনেকৈ তোমাৰ মন যায়, মোক ব্যৱহাৰ কৰা, হে প্ৰভু যীচু, আৰু তেতিয়া মোৰ বাবে খ্ৰীষ্টতেই মোৰ জীৱন আৰু মৰণো।[২]

আজি––কাইলৈ––আৰু তাৰ পাছৰ দিনবোৰৰ বাবে আপোনাৰ পৰিকল্পনাবোৰ কি?

*আৰু তাৰপাছত কি?*

# ৪· অনন্ত কাল

সময়ৰ ক্ষুদ্ৰত্ব যদি পৰম বাস্তৱ হয়, তেন্তে অনন্ত কালৰ অন্তহীনতা আৰু কিমান বেছি আচম্বিত হব। চিৰকালৰ নিমিত্তে এই প্ৰতিশব্দ অনুধাৱন কৰিবলৈ ভাষাৰ ভিতৰত অতি কম শব্দহে ইমান কঠিন পোৱা যায়। ইয়াৰ নিৰাশাজনক দুৰ্বোধ্যতা অনুভৱ কৰিবলৈ, বিশ্বব্ৰহ্মাণ্ড সৃষ্টি হোৱাৰ আগৰ সময়লৈ কেৱল ভাবি চাওক, তাৰপাছত দূতবিলাকো আনকি সৃষ্টি কৰাৰ আগৰ কাললৈ, তাৰপাছত ঈশ্বৰৰ বাহিৰে একো বা কোনো নথকা সময়লৈও উভতি ভাবি চাওক। তাৰো পাছলৈ আৰু পাছলৈ আৰম্ভণহীন আৰম্ভণিলৈ উভতি যাওক। পাছলৈ, পাছলৈ, পাছলৈ। ঈশ্বৰ সদায় আছিল। তেওঁ কেতিয়াও হবলৈ আৰম্ভ হোৱা নাছিল।

তাৰপাছত ভৱিষ্যতলৈ আপোনাৰ মন প্ৰক্ষেপ কৰক—এই পৃথিৱী ধ্বংস হোৱাৰ পাছত, পাপ অন্তৰ্ধান হোৱাৰ পাছত, সময় ওৰ পৰাৰ পাছত। আগলৈ, আগলৈ, আগলৈ। চিৰকাল, সদায় আৰু সদায়। অন্ত নাই। অন্ত নাই। অন্ত নাই।

তাৰপাছত, আপোনাৰ মগজুৱে তাৰ সংকীৰ্ণ সীমাৰ অহিতে টনা-আঁজুৰা কৰা যেন লগাৰ সময়ত, আপুনি সোঁৱৰক যে আপুনি চিৰন্তৰে জীয়াই থাকিব। সদায়, চিৰকাল! অন্তহীন জীৱন!

অনন্ত কাল!

ইয়াৰ অৰ্থ ৰুদ্ধ কৰিবলৈ মনুষ্যই কিমান চেষ্টা কৰিছে! উদাহৰণ স্বৰূপে, হেন্দ্ৰিক' ভাঁন' লুনে আমাক এই কালজয়ী অথচ অপৰ্যাপ্ত দৃষ্টান্ত দিছে:

> উত্তৰ দিশে অতিশয় উচ্চতাত স্ভিথ'জড' নামেৰে দেশত
> এটা শিল আছে। ই এশ মাইল ওখ আৰু এশ মাইল বহল।
> প্ৰতি এহেজাৰ বছৰত এবাৰকৈ এটা সৰু চৰায়ে তাৰ ঠোঁট
> চোকা কৰিবলৈ এই শিলটোলৈ আহে। শিলটো যেতিয়া
> এনেকৈ ক্ষয় যায়, তেতিয়া অনন্ত কালৰ কেৱল এটা দিনহে পাৰ হয়।[১]

ৰউলেণ্ড ডিক্সন' এডৱাৰ্ডছে ইয়াক তলত দিয়া ধৰণে বৰ্ণনা কৰিবলৈ চেষ্টা কৰিছিল:

এখন সমুদ্ৰমুখী ভাপজাহাজত আমি এটা অংগুষ্ঠানা (thimble) লওঁ,

তাত এডাল সূতা বান্ধি দিওঁ, জাহাজখনৰ কাষেদি তাক সমুদ্ৰলৈ নমাই দিওঁ আৰু

সমুদ্ৰৰ পৰা বাহিৰ কৰা এক অংগুষ্ঠানা-পূৰ্ণ লুণীয়া পানী উঠাই আনোঁ।

এয়ে অনন্ত কালৰ সমুদ্ৰৰ পৰা ওলিয়াই অনা সময়ক সূচাব পাৰে।[২]

অনন্ত কাল তীৰ নথকা এখন সমুদ্ৰ।
ই অন্তহীন সময়।
ই চিৰকাল বিদ্যমান তাৎক্ষণীক মুহূৰ্ত্ত।
ই ঈশ্বৰৰ জীৱনকাল।

ধাৰণাটোৰ গধুৰতাৰ ভৰত আনকি শব্দবোৰেও কেঁকোৱা যেন লাগে।

আৰু কোনো মানুহে নিজকে বিবেচনাশীল বুলি দাবী কৰিব নোৱাৰে যিজনে এই অভিভূত কৰি পেলোৱা সত্যক বিবেচনাৰ অৰ্থে গ্ৰহণ নকৰে যে অনন্ত কালৰ সীমাহীন তীৰত জীৱনটো মাথোন এটি বালিকণা। এই স্বজ্ঞাতে তেওঁৰ সমস্ত জীৱিকা সূত্ৰবদ্ধ হোৱা উচিত।

এইদৰে কোৱা হয় যে মিলান কেথেড্ৰেলত ওচৰা-ওচৰিকৈ তিনিখন দুৱাৰ আছে। প্ৰথমখনৰ ওপৰত এই লিপিৰ সৈতে এডাল গোলাপ ফুলৰ মালা খোদিত কৰা আছে: “আমাক সন্তুষ্টি দিয়া সকলো কেৱল এটা মুহূৰ্ত্তৰ বাবে।” তৃতীয়খন দুৱাৰৰ ওপৰত এডাল ক্ৰুচ আৰু এইখিনি কথা দিয়া আছে, “আমাক মনোকষ্ট দিয়া সকলো কেৱল এটা মুহূৰ্ত্তৰ বাবে।” তাৰপাছত মাজৰ দুৱাৰখনৰ ওপৰত এই স্মাৰক, “যি চিৰন্তন কেৱল সেয়েহে গুৰুত্বপূৰ্ণ।”

তেনেহলে, খ্ৰীষ্টিয়ান হিচাপে আমি বাস্তৱধৰ্মী হৈ অনন্ত কালৰ সত্যতাৰ সন্মুখীন হব লাগিব। ইয়াৰ ভীতিময় বাস্তৱৰ লগত আমি নিজকে অকলে আৱৰি লব লাগিব। তেতিয়া আমি যেতিয়া আগুৱাই যাম আমাৰ চকুত এটি অদ্ভূত জিলিঙনি থাকিব, আৰু আমাৰ হৃদয়ত এক অদ্ভূত দৃঢ়তা থাকিব যে আমাৰ পৰিকল্পনাবোৰ সময়ত অন্ত নপৰিব। আমি তেতিয়াৰ কাৰণে জীয়াই থাকিম, এতিয়াৰ কাৰণে নহয়!

# ৫· সোণালী সময়

সততাৰে জীৱনৰ পৰিণতিবোৰৰ সন্মুখীন হবলৈ বিচৰা যুৱা খ্ৰীষ্টিয়ানসকলে জানিব লাগিব যে যৌৱন কালেই সকলোতকৈ সোণালী সময়। এই সময়ছোৱাতে মানুহৰ শক্তি আটাইতকৈ বেছি, তেওঁৰ চেতনাবোৰ আটাইতকৈ তীক্ষ্ণ আৰু তেওঁৰ উৎসাহ আটাইতকৈ পূৰ্ণ।

যুৱ প্ৰজন্মৰ বাবে যে ঈশ্বৰৰ বিশেষ প্ৰেম আছে তাক যিৰিমিয়া ২:২ পদত স্পষ্টভাৱে উল্লেখ কৰা হৈছে, "···তোমাৰ যৌৱন-অৱস্থাৰ যি ভক্তি, বাগ্দান কৰা কালৰ তোমাৰ যি প্ৰেম, অৰণ্যত খেতি নকৰা দেশত মোৰ পাছত তোমাৰ যি গমন, সেই সকলো তোমাৰ অৰ্থে মোৰ মনত আছে।"

যৌৱনত কিবা এটা আছে! কেৱল এক স্বাভাৱিক দৃষ্টিকোণৰ পৰা, আমি গলিৰ বৰকৈ খীণ মেকুৰীটোতকৈ ধেমালী কৰি থকা মেকুৰী পোৱালীটোক বেছি পছন্দ কৰোঁ। চৰণীয়া পথাৰৰ ডেকেৰুৱা ঘোঁৰাটোৱে অচল হৈ পৰা মাইকী ঘোঁৰাজনীতকৈ বেছি দৃষ্টি আকৰ্ষণ কৰে। আৰু আপুনি যলৈকে ফুৰিবলৈ নাযাওক, আপুনি সৰু শিশুবোৰলৈ বেছিকৈ আকৰ্ষণ অনুভৱ কৰে আৰু মনে মনে কামনা কৰে সিহঁত যেন কেতিয়াও ডাঙৰ নহয়।

একেদৰে, আধ্যাত্মিক ৰাজ্যতো, যৌৱনৰ বুদ্‌বুদাই থকা দয়া-মমতা, তাৰ প্ৰথম প্ৰেমৰ ব্যগ্ৰতাৰ প্ৰতি ঈশ্বৰৰ বিশেষ মনোযোগ আছে। তেওঁ যুৱ প্ৰজন্মৰ শক্তি, প্ৰবল উদ্যম আৰু সাহস ভাল পায়। তেওঁলোকৰ অকৃত্ৰিম ভক্তি, তেওঁলোকৰ অনুভূতিপূৰ্ণ শিষ্যত্ব, তেওঁলৈ তেওঁলোকৰ ইচ্ছাকৃত ত্যাগক তেওঁ সোঁৱৰণ কৰে। "তোমাৰ যৌৱন-অৱস্থাৰ যি ভক্তি, বাগ্‌দান কৰা কালৰ তোমাৰ যি প্ৰেম,··· সেই সকলো তোমাৰ অৰ্থে মোৰ মনত আছে।"

যৌৱন হৈছে কৃতকাৰ্যতাৰ বয়স। "ত্ৰিশ বছৰ বয়স প্ৰাপ্ত হোৱাৰ আগতেই, ভাৰ্জিলে লেটিন কবিসকলৰ শীৰ্ষত আছিল, লুথাৰে সংস্কাৰবাদী আন্দোলনৰ বৃহৎ সংখ্যক লোকক পৰিচালনা কৰিছিল, আৰু নিউটনে আৱিস্কাৰীবিলাকৰ মাজত প্ৰথম স্থান দখল কৰিছিল। আঠাইশ বছৰৰ আগতেই, হৰে'দটাছে তেওঁৰ অলিম্পিক্ ক্ৰীড়াৰ ইতিহাসৰ ন'খন গ্ৰন্থ আওৰাইছিল, আৰু হান্নিবলে স্পেইনক কাৰ্থেজৰ ক্ষমতাৰ বশলৈ আনিছিল। পশিছ বছৰ বয়সত, ডেমছ্থেনিছ গ্ৰীচৰ

সোণালী-মুখ, আৰু চিচেৰ' ৰোমৰ ৰূপালী-জিবা হৈছিল! একে বয়সতে ভেটিকানৰ ফলকবোৰ তেওঁৰ অমৰ চিত্ৰবোৰেৰে অলংকৃত কৰিবলৈ দ্বিতীয় জুলিয়াছে ৰাফেলক তলব কৰিছিল, আৰু গেলিলিওৱে আৱিস্কৃত নোহোৱা নক্ষত্ৰৰ সন্ধানত ৰাতি ৰাতি ওপৰৰ উজ্জ্বলিত ক্ষেত্ৰৰ গতিপথবোৰ নিৰীক্ষণ কৰিছিল! একে বয়সতে, ছেকছ্পীয়েৰ সকলো নাটকীয় লিখকৰ শীৰ্ষত আছিল! বাইশ বছৰ বয়সত, আলেকজেণ্ডাৰে পাৰ্চী সাম্ৰাজ্য তল-ওপৰ কৰিছিল, আৰু নেপোলিয়ন আৰু ৱাছিংটন পাৰ্গত সেনাধ্যক্ষ হৈছিল। বিশ বছৰ বয়সত, প্লেট' চক্ৰেটিছৰ অন্তৰংগ বন্ধু আৰু সতীৰ্থ আছিল, আৰু সোতৰ বছৰ বয়সীয়া এৰিষ্ট'টলক 'তেওঁৰ পাঠশালাৰ মন' বুলি মাতিছিল। উনৈশ বছৰত পাস্কেল্ এজন মহান গণিতজ্ঞ আছিল, আৰু তেওঁৰ সাধাৰণ সিদ্ধান্ত স্থাপক দৰ্শনৰ ভিত্তি স্থাপন কৰোঁতে বেকনৰ বয়স তাতকৈ বেছি হোৱা নাছিল। পঁচিছ বছৰ বয়সত, য'নাথন এড্ৱাৰ্ডছ্ আৰু জৰ্জ্জ হুৱাইটফিল্ড্ প্ৰচাৰকসকলৰ মাজত ৰাজকুমাৰ আছিল, আৰু ত্ৰিশ বছৰ বয়সত, যীচু খ্ৰীষ্টই তেওঁৰ শুভবাৰ্ত্তা প্ৰচাৰ কৰিছিল যিয়ে পাছত পৃথিৱীত ক্ৰান্তিকাৰী পৰিবৰ্ত্তন সাধন কৰিছিল।"[১]

বৃদ্ধ বয়স, আনহাতে, হৈছে সেই সময় যেতিয়া আমাৰ সৰ্বোত্তম শক্তিবোৰ শেষ হৈ যায়। হাতবোৰ কঁপিবলৈ ধৰে, আৰু শৰীৰৰ ওজনৰ তলত ভৰি কেইখন নিজে নিজে বেঁকা হৈ যায়। হয়তো কেইটামান দাঁতহে বাকী থাকে, আৰু চকু কেইটাই বাইফ'কেল খিৰিকীৰ মাজেৰে বাহিৰলৈ চাই পঠিয়ায়। কাণ কেইখনক ইলেক'ট্ৰনিক' সাহায্যৰ প্ৰয়োজন হয়, আৰু বাক-শক্তি দুৰ্বল আৰু খহটা হৈ পৰে। বৃদ্ধ বয়সৰ লগত আহে অনিদ্ৰা, ভীৰুতা, আভোক আৰু এক সাধাৰণ শাৰীৰিক দুৰ্বলতা। বৃদ্ধ বয়স হৈছে ক্লান্তি।

উপদেশকৰ কথাখিনি, তেন্তে, কিমান সময়োপযোগী:
যি দুখৰ দিন আৰু বছৰ কেইটাৰ বিষয়ে তুমি কবা,
"এইবোৰত মোৰ সন্তোষ নাই," সেইবোৰ নৌ আহোঁতে···
তুমি যৌৱন-কালত তোমাৰ সৃষ্টিকৰ্ত্তাক সোঁৱৰা। (উপদেশক ১২:১,৭)।

কেৱল পৰিত্ৰাণৰ বিষয়তেই নহয়, কিন্তু প্ৰভুৰ প্ৰতি প্ৰেমময় সেৱাৰ ক্ষেত্ৰতো, যৌৱন-কালেই হৈছে প্ৰভুক সোঁৱৰাৰ সময়।

খ্ৰীষ্টিয়ান যুৱাসকলে যদি মাথো উপলব্ধি কৰিলেহেতেন যে তেওঁলোকে কৰিব পৰা এনে কিছুমান কাম আছে যিবোৰ তেওঁলোকে পাছত কৰিব নোৱাৰিব! এজন যুৱাৰ সাক্ষ্যৰ সেই একে বয়সৰে

আনবিলাকৰ ওপৰত এক অদ্ভুত শক্তি আছে। পাৰ্থিৱ মানুহবিলাকে যুৱ-প্ৰজন্মৰ পুৰুষত্বৱান সাহস আৰু আন্তৰিকতাৰ দ্বাৰা আকৰ্ষিত হোৱাৰ বিপৰীতে বয়সীয়ালবিলাকৰ মাজত তেওঁলোকে তাকে গোড়ামি বুলি গণ্য কৰে। যুৱাসকল বিপদৰ সম্ভাৱনা মূৰ পাতি লবলৈ, আৰু খ্ৰীষ্টিয়ান সংগ্ৰামৰ প্ৰত্যাহ্বানলৈ উঠি থিয় দিবলৈ আগ্ৰহী, আনহাতে বয়সৰ লগে লগে আহে সাৱধানতা আৰু সংঘৰ্ষৰ ভয়।

কিছুমান বিশ্বাসীয়ে ভৱিষ্যতে কেতিয়াবা খ্ৰীষ্টৰ বাবে জীয়াই থকাৰ এটা অস্পষ্ট ধাৰণা লৈ তেওঁলোকৰ জীৱিকাৰ আঁচনি কৰে– তেওঁলোকে টকা-পইচা অৰ্জন কৰাৰ পাছত–তেওঁলোকে যেতিয়া ব্যৱসায়ৰ পৰা অৱসৰ লব–আন কথাত, তেওঁলোকৰ বৃদ্ধ বয়সত।

ঈশ্বৰে *অপচয় হোৱা জীৱনৰ* একেবাৰে শেষভাগ নিবিচাৰে। তেওঁ *সৰ্বোত্তম বিচাৰে আৰু তেওঁ সকলো বিচাৰে। পুৰণি নিয়মত* তেওঁ নিখুঁত আৰু সম্পূৰ্ণ বলিদান বিচাৰিছিল। তেওঁৰ দাবী সলনি হোৱা নাই! যি শোটোৰা-শোটোৰ, জৰাজীৰ্ণ আৰু অৱসন্ন তাক আমি বিবেক অনুসাৰে তেওঁলৈ যাচিব পাৰোঁ নে? নহয়, যুক্তিয়ে দাবী কৰে যে আমি তেওঁক আমাৰ সৰ্বোত্তম দিওঁ, আৰু আমাৰ সৰ্বোত্তম হৈছে আমাৰ যৌৱন!

খ্ৰীষ্টে সৰ্বোত্তম বিচাৰে। এসময়ত বহু দূৰণিৰ অতীতত তেওঁ দাবী কৰিছিল পশুৰ জাকৰ
প্ৰথমে জন্মা পোৱালী, ঘেঁহুৰ সৰ্বশ্ৰেষ্ঠ মুঠি; আৰু এতিয়াও তেওঁ তেওঁৰ আপোন জাকক
বিনম্ৰ অনুৰোধেৰে বাকি দিবলৈ কয় তেওঁৰ চৰণত, তেওঁলোকৰ সৰ্বোজ্জ্বল আশা,
তেওঁলোকৰ সবাতোকৈ চহকী প্ৰতিভা। তেওঁ নাপাহৰে সবাতোকৈ দুৰ্বল সেৱা, সবাতোকৈ
**নম্ৰ প্ৰেম। তেওঁ মাথো বিচাৰে আমাৰ ভঁৰালৰ সৰ্বোত্তম যেন আমি দিওঁ তেওঁক।**
খ্ৰীষ্টে সৰ্বোত্তম দিয়ে। আমি যাচা অন্তৰবোৰ তেওঁ লয়, আৰু সেইবোৰ তেওঁৰ গৌৰৱময়
সৌন্দৰ্য, আনন্দ আৰু শান্তিৰে পূৰ্ণ কৰে; আৰু তেওঁৰ সেৱাত আমি যেতিয়া অধিক সবল
হওঁ, সৰ্বাত্মক সাফল্যলৈ আহ্বান আৰু বৃদ্ধি পায়। পৃথিৱী আৰু স্বৰ্গত সবাতোকৈ চহকী
বৰবোৰ খ্ৰীষ্টতে আছে লুকাই। আমাৰ যি সৰ্বোত্তম আছে যীচুত আমি তাক লাভ কৰোঁ।

আৰু আমাৰ সৰ্বোত্তম বৰ বেছি নে কি ? অ' বন্ধু, আমি সোৱৰোঁহঁক কেনেকৈ এসময়ত
আমাৰ অৰ্থে আমাৰ প্ৰভুৱে বাকি দিছিল তেওঁৰ প্ৰাণ, আৰু তেওঁৰ ৰহস্যময় পুৰুষত্বৰ
সৰ্বোত্তম সময়ত ক্ৰুচৰ ওপৰত ত্যাগ কৰিছিল তেওঁৰ অমূল্য জীৱন। প্ৰভুৰো প্ৰভু, যাৰ দ্বাৰাই
আকাশ-মণ্ডল হৈছিল সৃষ্টি, তিক্ত বেদনা আৰু চকুলোৰ মাজেদি তেওঁৰ সৰ্বোত্তম দিছিল আমাক।[২]

সৰ্বোত্তম দিয়াৰ এই কামনাই পিটাৰ ফ্লেমিঙক অনুপ্ৰাণিত কৰিছিল; ১৯৫৬ চনৰ ৮ জানুৱাৰীত ইকুৱেডৰত খ্ৰীষ্টিয়ান ছহিদ হিচাপে সাতাইশ বছৰ বয়সত তেওঁৰ মৃত্যু হৈছিল। তেওঁৰ আত্মাৰ পবিত্ৰ সংকল্প আছিল তেওঁৰ তৰুণ শক্তি, প্ৰতিভা, প্ৰেম আৰু জীৱনৰ অতি সৰ্বোত্তম খ্ৰীষ্টলৈ দিয়া। তেওঁৰ মহৎ সংকল্প তেওঁৰ এটি অতি প্ৰিয় ধৰ্মগীতৰ শাৰীত সুন্দৰভাৱে প্ৰকাশ পাইছে:

প্ৰভু, মোৰ শক্তিৰ সম্পূৰ্ণতাত[৩]
টমাছ' এইচ' গিল'

প্ৰভু, মোৰ শক্তিৰ সম্পূৰ্ণতাত, তোমাৰ অৰ্থে মই হম সবল;
প্ৰতিটো হৰ্ষ কৰোঁতে ৰোমখন, উৰে যেন তোমালৈ মোৰ গান।
নিদিওঁ বিলাই জগতক মোৰ হৃদয়, আৰু তাৰপাছত ঘোষণা তোমালৈ মোৰ প্ৰেমৰ; নকৰোঁ অনুভৱ মোৰ শক্তিৰ অন্ত, আৰু তাৰপাছত প্ৰমাণিত তোমালৈ সেৰা।
ক্ষিপ্ৰ পাখিৰ উদ্যমেৰে নাযাওঁ জগতৰ অনাহক কামত:
আৰু ভাগৰুৱা ভৰি আৰু মন্থৰ গতিৰে নাযাওঁ চুঁচৰি উঠি স্বৰ্গীয় শিখৰত। অ' নহয় তোমাৰ বাবে মোৰ সামৰ্থ্যহীন বাঞ্ছা,
মোৰ নিশকতীয়া, নিকৃষ্ট অংশ! অ' নহয় তোমাৰ বাবে মোৰ নুমাই যোৱা জুই, মোৰ অন্তৰৰ ছাই। অ' বাছি লোৱা মোক মোৰ সোণালী কালত, মোৰ প্ৰিয় আনন্দত লোৱা ভাগ! তোমাৰ বাবেই মোৰ সৰ্বোত্তমৰ গৌৰৱ, সম্পূৰ্ণতা মোৰ হৃদয়ৰ।

অপচয় হোৱা যৌৱনৰ শোকাবহতাক কেতিয়াও এবোৰেই পূৰণ কৰিব নোৱাৰে। গতিকে, আজি প্ৰত্যেক জনে নিজকে নিজে সোধা উচিত, "মোৰ আগৰ বছৰবোৰৰ জীৱনী কেনেকুৱা হব বাৰু ? ঈশ্বৰৰ বিষয়বোৰত ই নিৰ্লিপ্ততাৰ বিমৰ্ষ ৰেকৰ্ড হব নে কি, নে ই প্ৰভু যীচু খ্ৰীষ্টলৈ সম্পূৰ্ণৰূপে শোধাই দিয়া জীৱনৰ অনুভূতিপ্ৰৱণ বিবৰণ হব ? "

*মনত ৰাখিব, আপোনাৰ আত্মজীৱনী আজি লিখা হৈছে!*

# ৬· অনন্ত কালৰ বাবে কামত অহা শিক্ষা

শিক্ষাক পূজা কৰা এই যুগত, সজাগ যুৱ খ্ৰীষ্টিয়ানৰ বাবে কিছুমান মহৎ সত্যৰ বিষয়ে জ্ঞাত হোৱাটো দৰকাৰী যিবোৰে তেওঁলোকৰ জ্ঞানৰ সন্ধানত পথ-নিৰ্দেশক স্তম্ভ হিচাপে কাম কৰিব আৰু নানা ধৰণৰ বিদ্যালৈ শুদ্ধ মূল্য নিৰ্ধাৰণ কৰাত তেওঁলোকক সক্ষম কৰিব।

পোনপ্ৰথমতে, আমি উপলব্ধি কৰা উচিত যে আমি যেতিয়া স্বৰ্গলৈ যাম আমাৰ সিদ্ধ জ্ঞান নাথাকিব। একমাত্ৰ ঈশ্বৰেহে সকলো জানে; সৰ্বজ্ঞাণী একমাত্ৰ তেওঁৰহে গুণ। আৰু আমি কেতিয়াও ঈশ্বৰ নহওঁ; আমি কেতিয়াও শিকি বলৈ নেৰোঁ। এই কথাটো এবাৰ বুজি পালে, অনন্ত কালৰ বাবে আমাৰ প্ৰস্তুতিক ই প্ৰভাৱিত কৰিব।

শাস্ত্ৰই সূচায় যে স্বৰ্গত আমি শিকাৰ প্ৰক্ৰিয়া চলাই থাকিম। উদাহৰণ স্বৰূপে, ইফিচীয়া ২:৭ পদত পৌলে দৃঢ়তাৰে কৈছে যে আহিব লগা যুগত খ্ৰীষ্ট' যীচুৰ যোগেদি ঈশ্বৰে আমাৰ প্ৰতি তেওঁৰ দয়া আৰু অনুগ্ৰহৰ অতিৰিক্ত ঐশ্বৰ্য আমালৈ প্ৰকাশ কৰিব। ঈশ্বৰে যদি আমালৈ কিবা এটা চিৰকালে প্ৰকাশ কৰি থাকিব, তেনেহলে স্পষ্টৰূপে আমি তাক নিৰৱচ্ছিন্নভাৱে শিকি থাকিম। আৰু নিশ্চয় এনেকুৱাই হব! বিষয়বস্তুটো ইমান অন্তহীন যে তাৰ মাহাত্ম্য ঈশ্বৰে আমাক কেতিয়াও সম্পূৰ্ণৰূপে শিকাব নোৱাৰে। চয়তানে যদিও কালৰ এটা মুহূৰ্ত্তৰ ভিতৰতে জগতে যাচিব পৰা সকলো প্ৰভু যীচুক দেখুৱাব পাৰিছিল, ঈশ্বৰে খ্ৰীষ্টৰ অনুসন্ধান কৰি ওলিয়াব নোৱাৰা ঐশ্বৰ্য্য চিৰকাল পুংখানুপুংখভাৱে ব্যাখ্যা কৰিব আৰু তেওঁ তেওঁৰ শিক্ষাৰ্থীবিলাকক কেতিয়াও স্নাতক নকৰে। ই হব অপূৰ্ব প্ৰেমৰ চিৰন্তন উন্মোচন, আৰু আমি আনন্দত বিভোৰ শিক্ষাৰ্থী হিচাপে তেওঁৰ চৰণত বহি, অবিৰাম অধিকৰ পৰা অধিকতৰ শিকিম।

আমি স্বৰ্গত সকলো জানিম বুলি ইংগিত দিয়াৰ দ্বাৰা এই কথা নুই কৰা যেন লগা দুই এটা শাস্ত্ৰাংশ আছে। যেনে, যোহনে তেওঁৰ প্ৰথম পত্ৰত কৈছে যে আমি খ্ৰীষ্টৰ সদৃশ হম।

অৱশ্যে, ইয়াৰ অৰ্থ মানসিক অথবা মুখ-মণ্ডলীয় সাদৃশ্যও নহয়,

বৰঞ্চ নৈতিক সাদৃশ্যহে। আমি তেওঁৰ নিচিনা হ'ম এই অৰ্থত যে আমি পাপৰ সম্পূৰ্ণ উপস্থিতিৰ পৰা চিৰকাললৈ মুক্ত হ'ম।

তাৰ পাছত ১ কৰিন্থীয়া ১৩:১২ পদত পৌলে সূচাইছে যে আমি যেনেকৈ সম্পূৰ্ণকৈ জনা হলোঁ, তেনেকৈ সম্পূৰ্ণকৈ জানিম। এয়ে ইয়াকে সূচাব পাৰে যে স্বৰ্গত আমি আমাৰ প্ৰিয়জনক চিনি পাম, কিন্তু ইয়াৰ অৰ্থ হ'ব নোৱাৰে যে আমি কেতিয়াবা সকলো বস্তুৰ সম্পূৰ্ণ জ্ঞানলৈ আহিম কাৰণ আমি সদায় আমাৰ সৃষ্টিকৰ্ত্তাতকৈ হীন প্ৰাণী হৈ থাকিম আৰু কেৱল সীমাবদ্ধ জ্ঞানহে লাভ কৰিম।

তেন্তে স্বৰ্গত আমি শিক্ষাৰ্থী হ'ম বুলি স্বীকাৰ কৰি লোৱাৰ পাছত, আমি এই প্ৰশ্নটো কৰাই ভাল, "মই স্বৰ্গত গৈ পোৱাৰ লগে লগে মোৰ কি জ্ঞান থাকিব ? " আমি পৰামৰ্শ দিওঁ যে উত্তৰটো হ'ব, "আপুনি পৃথিৱী ত্যাগ কৰাৰ মুহূৰ্ত্তত আপোনাৰ যি জ্ঞান আছিল, সেই জ্ঞান।" অৱশ্যে, ভাবী যুগবোৰত সেই জ্ঞান বৃদ্ধি কৰাৰ সম্ভাৱনা সদায় থাকিব, কিন্তু আমাৰ আৰম্ভণিৰ বিদ্যাৰ ভাণ্ডাৰ সেয়ে হ'ব যি লৈ আমি এই গ্ৰহ এৰিছিলোঁ।

যদি এয়া সত্য হয়, তেনেহলে ই অতিশয় তাৎপৰ্যপূৰ্ণ। এয়ে আমাক উপলব্ধি কৰায় যে মূৰ্খৰ দৰে এনে বহুখিনি পাৰ্থিৱ শিক্ষা আহৰণত আমি আমাৰ জীৱন নিয়োজিত কৰিব পাৰোঁ যি স্বৰ্গত তুলনামূলকভাৱে মূল্যহীন। আপোনাৰ জীৱনৰ অভিলাষ হ'ব পাৰে বিজ্ঞান বা সাহিত্য বা ৰাজনীতিৰ নিৰ্দিষ্ট ক্ষেত্ৰত আন যি কোনো ব্যক্তিতকৈ অধিক জ্ঞান আহৰণ কৰা। আপুনি সেই লক্ষ্যত উপণীতো হ'ব পাৰে। কিন্তু স্বৰ্গত ই আপোনাৰ কি কামত আহিব ? অনন্ত কালৰ পৰিপ্ৰেক্ষিতত দৃষ্টিপাত কৰিলে তেনে মহান জীৱনৰ বৃত্তিবোৰ অতিশয় উপকৰা যেন লাগে।

আনহাতে, ঈশ্বৰৰ বাক্যৰ লগত সুগভীৰ পৰিচয় চিৰন্তন মূল্যৰ আৰু তাৎপৰ্যৰ। ইয়াত আমি শাস্ত্ৰৰ বিষয়ে যি শিকোঁ সেয়া অনন্ত কালৰ নিমিত্তে এক বিনিয়োগ কাৰণ স্বৰ্গতো আমাৰ বাইবেল থাকিব। যীচুৱে কৈছিল, "আকাশ আৰু পৃথিৱী লুপ্ত হ'ব, কিন্তু মোৰ বাক্য লুপ্ত নহ'ব।" আৰু গীতমালা ৰচকে লিখিছিল, "হে যিহোৱা, অনন্ত কাললৈকে তোমাৰ বাক্য স্বৰ্গত স্থাপিত হ'ল।" ইয়াৰ পৰা প্ৰমাণিত হয় যে আমি মুখস্থ কৰা প্ৰতিটো শাস্ত্ৰপদ, আমি অধ্যয়ন কৰা প্ৰতিটো অধ্যায়, আমি বাইবেলত শিকা সকলো আহিব লগা জীৱনৰ বাবে লাভজনক।

স্বৰ্গত আমি সকলোৱে একে হ'ম এই ধাৰণাটো নিশ্চয়ে শাস্ত্ৰৰ ধাৰণা নহয়। ঈশ্বৰৰ বাক্যই শিকায় যে পৰিত্ৰাণ পোৱাবিলাকৰ

পুৰস্কাৰত যিদৰে পাৰ্থক্য থাকিব, সেইদৰে অভিশপ্তবিলাকৰ শাস্তিৰো মাত্ৰা থাকিব।

স্বৰ্গত যদিও সকলোৱে সুখী থাকিব, তথাপি তাৰ মহিমা উপভোগ কৰিবৰ বাবে কিছুমানৰ আনতকৈ বেছি ক্ষমতা থাকিব। প্ৰকৃততে, আমি প্ৰভু যীচুক তেওঁৰ বাক্যৰ যোগেদি কি দৰে জানিলোঁ, তাৰ লগত আমাৰ তেওঁৰ প্ৰশংসা আনুপাতিক হ'ব। প্ৰত্যেক জনৰে পাত্ৰ পৰিপূৰ্ণ হ'ব, কিন্তু কিছুমানৰ পাত্ৰ আনতকৈ ডাঙৰ হ'ব।

এতিয়া স্পষ্টতঃ উপযুক্ত সংস্থাপন পাবলৈ আৰু জীৱনৰ প্ৰয়োজনীয় ব্যৱসায়িক কামকাজ চলাই যাবলৈ আমাৰ প্ৰত্যেকৰ বাবে কিছু পৰিমাণৰ "জাগতিক" বা "ধৰ্মনিৰপেক্ষ" জ্ঞান আহৰণ কৰাটো আৱশ্যক। এই কাৰণতে, কিছুমানে কলেজ শিক্ষা আহৰণ কৰে, আৰু আনবিলাকে বিশেষাজ্ঞিক ক্ষেত্ৰত আৰু অধিক অগ্ৰগামী প্ৰশিক্ষণ লবলৈ আগবাঢ়ি যায়। কিন্তু এই কথা সদায় মনত ৰখাটো দৰকাৰ যে জীৱনত এনে ধৰণৰ শিক্ষা ডাঙৰ বস্তু নহয়। ই কেৱল এটা অগ্ৰগতিৰ আহিলা, জীৱিকা উপাৰ্জন কৰাৰ এটা উপায়, আনহাতে আমি—খ্ৰীষ্টক জনাৰ আৰু তেওঁৰ কথা আনক জনোৱাৰ— আমাৰ সৰ্বোচ্চ লক্ষ্য সদায় আটাইতকৈ আগত ৰাখোঁ। শিক্ষাক মুখ্য লক্ষ্য কৰা ঈশ্বৰৰ চিৰন্তন বাক্যৰ অৱহেলাত জীৱন যাপন কৰাৰ অনুশীলন অমাৰ্জনীয়। সেই দিনটোৱে তেনে পদপথৰ মূৰ্খামি প্ৰকাশ কৰিব।

আমি এইমাত্ৰ বিবেচনা কৰি অহা এই কথাবোৰৰ নিচিনাকৈ, অতি কম সত্যইহে এজন ব্যক্তিৰ জীৱনৰ সমস্ত প্ৰৱণতাৰ ওপৰত এনে সুগভীৰ প্ৰভাৱ পেলাব পাৰে। স্বৰ্গত যদি আমাৰ সকলো বস্তুৰ সম্পূৰ্ণ জ্ঞান নাথাকে, তেনেহলে আমি ইয়াত যি শিকোঁ তাকেই আমি আমাৰ লগত স্বৰ্গলৈ লৈ যাম। গতিকে সেই দৃশ্যপটৰ বাবে আমি এতিয়াই নিজকে প্ৰস্তুত কৰিব লাগে। কোনো স্বৰ্গীয় কামত নহা পাৰ্থিৱ শিক্ষাৰ প্ৰকাৰবোৰলৈ আমাৰ জীৱন নিয়োজিত কৰাৰ সম্ভাৱনাৰ অহিতে আমি সতৰ্ক দৃষ্টি ৰাখিব লাগিব। আমি কলেজ ডিগ্ৰীবোৰ যথোচিত স্থানত ৰাখিব লাগিব, অৰ্থাৎ, প্ৰভুক ইয়াত অধিক সাৰ্থকভাৱে পৰিচৰ্যা কৰিব পৰা আহিলা হিচাপে। শাস্ত্ৰ গ্ৰন্থসমূহৰ লিখক তথা সেইবোৰৰ পবিত্ৰ অন্তৰ্বস্তুৰ লগত অধিক ভালদৰে পৰিচিত হোৱাৰ দ্বাৰা আমি আমাৰ জীৱনত শাস্ত্ৰক ন্যায্য গুৰুত্ব দিব লাগিব।

হয়, স্বৰ্গত প্ৰগতি হ'ব! আমি স্বৰ্গত শিকি গৈ থাকিম! আৰু সেই নিৰ্দেশাৱলীৰ পাঠ্যক্ৰমৰ মধুৰ উপভোগ আমি এতিয়া বাইবেলৰ লগত কি কৰিছোঁ তাৰ ওপৰত নিৰ্ভৰ কৰিব!

# ৭· আপোনাৰ ভবিষ্যত আপুনি নিৰ্বাচন কৰে

এই কথা জানিলে আপুনি হতচকিত হব নে কি যে, বহু পৰিমাণে, আপুনি আপোনাৰ নিজৰ ভবিষ্যত নিৰ্ধাৰিত কৰে? আপুনি জীৱনত প্ৰকৃততে যি হব বিচাৰে, আপুনি সেয়েই হয়গৈ। আপুনি যদি যথেষ্ট প্ৰবলতাৰে কোনো এটা নিৰ্দিষ্ট বৃত্তি বিচাৰে, আপুনি হয়তো সেইটো পাব। এইটো এটা অতি মূল্যৱান গোপন ৰহস্য আৰু অধিক বিস্তৃতভাৱে জানিব লগীয়া ৰহস্য। আপোনাৰ নিজৰ কাইলৈৰ চাবিকাঠী আপোনাৰ হাততে আছে।

আপোনাৰ মনত পৰিব যে এদিন ৰাতি যিহোৱাই চলোমনক দেখা দিছিল আৰু তেওঁক কি লাগে বুলি সুধিছিল। চলোমনে বিজ্ঞতা আৰু জ্ঞানৰ অনুৰোধ কৰিছিল, আৰু তেওঁৰ অনুৰোধ–ঐশ্বৰ্য, প্ৰাচুৰ্য, সন্মান, বিজয় আৰু দীৰ্ঘ জীৱনৰ সৈতে–প্ৰদান কৰা হৈছিল।

একেদৰে, প্ৰত্যেক ব্যক্তিলৈ এই প্ৰশ্নটো আহে, "মই তোমাক কি দিম খোজা।" আৰু আমি সাধাৰণতে যি বিচাৰোঁ, আমি তাকেই পাওঁ।

কোৱা হয় যে যুৱক হিচাপে লৰ্ড ৰ'জবেৰীৰ তিনিটা অনুভূতিপূৰ্ণ উচ্চাকাংক্ষা আছিল:

১। তেওঁ ডাৰ্বী (বিখ্যাত ঘোঁৰা দৌৰ প্ৰতিযোগিতা) জিকিব বিচাৰিছিল।

২। তেওঁ এজন কোটিপতিৰ কন্যাক বিয়া কৰাবলৈ বিচাৰিছিল।

৩। তেওঁ প্ৰধান মন্ত্ৰী হবলৈ বিচাৰিছিল।

ইতিহাসে আমাক কয় যে তেওঁ আটাই তিনিটাই লাভ কৰিছিল।

কিছু বছৰৰ আগতে, এটা চিকাগ'ৰ ঘৰত এজন যুৱকে তেওঁৰ বিছনাৰ কাষত আঁঠু লৈছিল আৰু, গীতমালা ১৪৫:১৯ পদৰ প্ৰতিশ্ৰুতি দাবী কৰি তেওঁ প্ৰভুক কৈছিল যে তেওঁ তলত দিয়া কথা কেইটা গম্ভীৰভাৱে কামনা কৰে:

১। প্ৰভুৰ বাক্যৰ সৰহ অংশ মুখস্থ কৰিবলৈ সক্ষম হবলৈ।

২। ট্ৰেক্ট লিখিবলৈ আৰু সেইবোৰৰ বৃহৎ পৰিমাণ বিলাবলৈ সক্ষম হবলৈ।

৩। খ্ৰীষ্টিয়ান কৰ্মীবিলাকক বিনামূলীয়াকৈ ট্ৰেক্ট' যোগাবলৈ সক্ষম হবলৈ।

৪। শুভবাৰ্ত্তা প্ৰচাৰ কৰিবলৈ আৰু ঈশ্বৰৰ বাক্য পৰিচৰ্যা কৰিবলৈ সক্ষম হবলৈ।

৫। বিশ্বাসীবিলাকৰ নৈতিক উন্নতি সাধনৰ বাবে আধ্যাত্মিক প্ৰবন্ধ লিখিবলৈ সক্ষম হবলৈ।

টম অ'লছনক জনা সকলোৱে জানে যে শাস্ত্ৰপদ স্মৰণৰ বাবে তেওঁৰ অসাধাৰণ প্ৰতিভা আছে, যে তেওঁৰ শুভবাৰ্ত্তা প্ৰচাৰ আৰু বাইবেলৰ শিক্ষাক অনেকৰ আশীৰ্বাদৰ বাবে ব্যৱহাৰ কৰা হৈছে, যে তেওঁৰ আলোচনীৰ প্ৰবন্ধবোৰ ব্যাপকভাৱে পঢ়া হয়, আৰু তেওঁৰ ট্ৰেক্ট'বোৰৰ কিজানি আন সকলো মানুহতকৈ অধিক ব্যাপক প্ৰচালন আছে। এতেকে প্ৰত্যেক যুৱা ব্যক্তিৰ ক্ষেত্ৰতো এয়ে সত্য। "তেওঁলোকৰ আগত ভৱিষ্যত, তাৰ পৃষ্ঠাত তেওঁলোকে যি লিখিবলৈ বাছি লয় তাকে গ্ৰহণ কৰিবলৈ সাজু হৈ, খালী পৰি থাকে।"[১]

আৰু এয়ে আমাক আচল বিষয়বস্তুলৈ আনে! আপুনি কি বিচাৰে তালৈ সাৱধান হওক। আপোনাৰ নিৰ্বাচনৰ ওপৰত বহুত কথাই নিৰ্ভৰ কৰে। আৰু সেই বিষয়ে এক ভয়ানক চূড়ান্ত দশা আছে।

> নিৰ্ঘাত অগ্নিশালৰ পৰা যেতিয়া তৰল লো বৈ আহে, তাক যি কোনো সাঁচতে
> ঢালিব পাৰি; কিন্তু অলপ পাছতে ই চেঁচা আৰু টান হয়, আৰু হাতুৰি মাৰিলেও
> আঁকোৰগোজভাৱে তাৰ আকৃতি ধৰি ৰাখে।
> যুৱক-যুৱতীসকলে এদিন যেনেকৈ স্পষ্টকৈ দেখিব, তেনেকৈ যদি তেওঁলোকে
> তেওঁলোকৰ যৌৱনৰ সম্ভাৱনাবোৰ, আৰু আগতীয়া নিৰ্বাচনত ওলমি থকা গুৰুত্বপূৰ্ণ বিষয়বোৰ মাথো দেখা পালেহেতেন, তেতিয়া অতিকৈ তাকৰ জীৱনৰ নষ্ট হোৱা পুৱা আৰু অতিকৈ তাকৰ অনুজ্জ্বল সূৰ্যাস্ত হলহেতেন।[২]

ধীৰ আৰু সতৰ্কভাৱে নিৰ্বাচন কৰা প্ৰতি জনৰ বিপৰীতে কিজানি তিনি জনেই এনেই উটি-ভাহি ফুৰে। তেওঁলোকে নিজকে দৈৱক্ৰম বা ভাগ্যৰ বন্ধকি বুলি ভাবে। তেওঁলোক দৈৱবাদী। কিন্তু, তথাপি, তেওঁলোকে নিজৰ নিৰ্বাচন কৰি লৈছে, আৰু সেই নিৰ্বাচন হৈছে উটি-ভাহি গৈ থকা আৰু তেওঁলোকলৈ যি আহে তাকে গ্ৰহণ কৰা।

চিন্তাশীল যুৱক-যুৱতীয়ে তেওঁলোকৰ গাম্ভীৰ্যপূৰ্ণ স্থিতি আৰু

অমূল্য নিৰ্বাচন-ক্ষমতাৰ প্ৰতি সজাগ হোৱা উচিত। তেওঁলোকে উপলব্ধি কৰা উচিত যে তেওঁলোকে ইচ্ছা কৰা প্ৰায় যি কোনোৱেই তেওঁলোক হব পাৰে। তাৰপাছত তেওঁলোক অতিশয় সাৱধান হোৱা উচিত যে তেওঁলোকে যি বিচাৰে সেয়া প্ৰকৃততে এক যোগ্য বাছনি।

*যদি ঈশ্বৰে আপোনাক আজি সোধে,*
*"জীৱনত তোমাক কি লাগে ?" আপুনি কি কব ?*
*মনোযোগেৰে শুনক! তেওঁ আপোনাক সুধিছে!*

# ৮· উচ্চাকাংক্ষা: জ্ঞানী অথবা অন্যথায় ?

জীৱনৰ যোগ্য উচ্চাকাংক্ষা কি ? আমাৰ মৃত্যু হোৱাৰ পাঁচ মিনিট পাছত কি ধৰণৰ বৃত্তি আটাইতকৈ পৰিতৃপ্তিৰ বুলি প্ৰমাণিত হব ? আমি আমাৰ সময়, আমাৰ প্ৰতিভা আৰু আমাৰ সম্পদ বিনিয়োগ কৰিব পৰা আটাইতকৈ সম্ভাব্য উপায় কি ?

সৰ্বপ্ৰথমে আমি একমত হম নে যে খ্ৰীষ্টিয়ানৰ বাবে "ধনী হোৱাটো" উপযুক্ত লক্ষ্য নহয় ?

১। সৰ্বপ্ৰথমে, স্বয়ং প্ৰভুৱে ইয়াক স্পষ্টভাৱে নিষেধ কৰিছে (মথি ৬:১৯), আৰু সেইকাৰণে ই অনৈতিকতা বা হত্যাৰ দৰেই ভুল।

২। দ্বিতীয়তে, আধ্যাত্মিক বিষয়ত পাৰ্থিৱ প্ৰাচুৰ্য নিশ্চিত অন্তৰায় (মাৰ্ক ১০:২৩,২৪)।

৩। ধন-সম্পত্তি ছলনাময় (মাৰ্ক ৪:১৯); সেইবোৰ প্ৰকৃত যেন লাগে কিন্তু তৎক্ষণাতে আৰু অপ্ৰত্যাশিতভাৱে অন্তৰ্ধান হয়।

৪। আমাৰ আদৰ্শ, প্ৰভু যীচু এজন দুখীয়া মানুহ আছিল (২ কৰিন্থীয়া ৮:৯)। তেওঁ সঘনাই দৃঢ়তাৰে কৈছিল যে প্ৰভুতকৈ দাস ওপৰত নহয় (মথি ১০:২৪,২৫)।

৫। ধন-সম্পত্তি স্বৰ্গলৈ লৈ যাব নোৱাৰি (২ কৰিন্থীয়া ৪:১৮)।

৬। এজন খ্ৰীষ্টিয়ানে তেওঁৰ চাৰিওফালে এই সকলো দৰিদ্ৰতা আৰু অভাৱ দেখিও কেনেকৈ ধনী হৈ থাকিব পাৰে এই সন্দৰ্ভত এক প্ৰকৃত নৈতিক সমস্যা আছে।

কিছু বছৰৰ আগতে, অ'ন্টেৰিও প্ৰদেশৰ এখন বাতৰি কাকতত তলত দিয়া বাতৰিটো ওলাইছিল:

মৃত্যুৰ সময়ত লিষ্ট'ৱেলৰ প্ৰয়াত জ'ন লিভিংষ্টোন অ'ন্টেৰিওৰ পাৰ্থ' কাউন্টিৰ আটাইতকৈ চহকী মানুহ আছিল। ৫০০,০০০ ডলাৰত তেওঁৰ ভূ-সম্পত্তিৰ মূল্যাংকন কৰা হৈছিল। ইয়াৰ অতিৰিক্ত, তেওঁৰ জীৱন ৫০০,০০০ ডলাৰত বীমা কৰা আছিল। তেওঁ বিখ্যাত স্কটিছ' মিছনেৰী আবিস্কাৰক ডেভিদ' লিভিংষ্টোনৰ ভাতৃ আছিল।

"এই দুজন ল'ৰাই শৈশৱ কালত তেওঁলোকৰ স্কটিছ্ গৃহত

ডাঙৰ জীৱন নিৰ্বাচনী কৰিছিল। জ'নে কলে, 'মই মোৰ বিপুল ধনৰাশি বনাবলৈ কানাডালৈ যাম।' আৰু তেওঁ তাকেই কৰিলে! ডেভিদে ত্ৰাণকৰ্ত্তা, প্ৰভু যীচু খ্ৰীষ্টক তেওঁৰ জীৱন দিলে, আৰু শুভবাৰ্ত্তাৰে কৃষ্ণকায় লোকবিলাকক জয় কৰিবলৈ আফ্ৰিকাৰ পশ্চাদভূমি ভেদ কৰাৰ মহৎ কাৰ্যত তেওঁৰ জীৱন বাকি দিলে। জাগতিক মানদণ্ডৰে বিচাৰ কৰিলে জ'ন জ্ঞানী আছিল আৰু ডেভিদ্ মূৰ্খ আছিল। কিন্তু জাগতিক দৃষ্টিকোণ অত্যন্ত অদূৰদৰ্শী। কাৰণ যদিও জ'নে ব্যৱসায়ত কৃতকাৰ্যতা লাভ কৰিছিল আৰু বিশাল ধনৰাশি গোটাইছিল, আৰু যদিও ডেভিদে তেওঁৰ জীৱন আফ্ৰিকাত নিমগ্ন কৰিছিল আৰু এটা অকলশৰীয়া জুপুৰি ঘৰত আঁঠু কঢ়া অৱস্থাত মৃত্যু বৰণ কৰিছিল, পঞ্চাশ বা পয়সত্তৰ বছৰৰ পাছত বাদ-বাকী পৰিণতি হৈছে এই যে পৃথিৱীৰ পৰা জ'নৰ নাম প্ৰায় নোহোৱা হল, আনহাতে পৃথিৱীৰ চৌপাশে য'তেই শুভবাৰ্ত্তা জনা যায় ত'তেই ডেভিদ্ লিভিংষ্টোনৰ নাম সুগন্ধিময়।"১

কিন্তু ধন-সম্পত্তিৰ পশ্চাদ'ধাৱনেই একমাত্ৰ ডাঙৰ প্ৰলোভন নহয়!

মানুহৰ জীৱনত অন্য এটা প্ৰবল প্ৰণোদিত কৰা শক্তি হৈছে ব্যক্তিগত মৰ্যাদা। মানুহে কোনোবা হবলৈ, কুখ্যাতি লাভ কৰিবলৈ, প্ৰখ্যাত হবলৈ বিচাৰে।

কিছুমানে ব্যৱসায়ত বা বৃত্তিত এই গৌৰৱ বিচাৰে। তেওঁলোকে তালৈ তেওঁলোকৰ সৰ্বোত্তম দিয়ে। তেওঁলোকে বানিজ্য বা বিজ্ঞানৰ মন্দিৰত পূজা কৰে। তেওঁলোকে তেওঁলোকৰ বাছি লোৱা ক্ষেত্ৰত কৃতকাৰ্যতাৰ বাবে অবিৰাম কঠোৰ চেষ্টা কৰে, যি সময়ত ঈশ্বৰৰ স্বৰে তেওঁলোকক মাতি থাকে, "তুমি নিজৰ নিমিত্তে মহত্ত্ব বিচাৰিছা নে? সেইবোৰ নিবিচাৰিবা" (যিৰিমিয়া ৪৫:৫)।

কিছুমানে ক্ৰীড়াৰ ক্ষেত্ৰত বৈশিষ্ট্যসূচক সন্মান বিচাৰে। অতিকৈ অনমনীয় নিয়মানুৱৰ্তিতাৰ অধীনত তেওঁলোকে দৃঢ়ভাৱে প্ৰশিক্ষণ লয়। দক্ষতা লাভ কৰিবলৈ সন্তুষ্ট মনেৰে ত্যাগ স্বীকাৰ কৰা হয়। তাৰপাছত প্ৰতিযোগিতাৰ উত্তাপত বঁটা জিকিবলৈ তেওঁলোকে প্ৰত্যেকটো শিৰ আৰু পেশী টানে। কিন্তু পবিত্ৰ শাস্ত্ৰৰ ধাৰাভাষ্য হৈছে যে ঈশ্বৰে "মানুহৰ ভৰিতো তুষ্ট নহয়" (গীতমালা ১৪৭:১০)। তেওঁ ক্ৰীড়াৰ ভক্ত নহয়, "কিয়নো শাৰীৰিক নিপুণতাৰ অভ্যাস অলপ বিষয়ত লাভজনক, কিন্তু ভক্তি সকলো বিষয়ত লাভজনক; কাৰণ সেয়ে বৰ্ত্তমান আৰু ভবিষ্যত জীৱনৰো প্ৰতিজ্ঞাযুক্ত" (১ তীমথিয় ৪:৮)।

আনবিলাকে কিছুমান প্ৰকাৰৰ জ্ঞানত, যেনে দৰ্শন, ইতিহাস বা সংগীত ইত্যাদিত বিশেষজ্ঞ হোৱাৰ দ্বাৰাই বৈশিষ্ট্যসূচক সন্মান বিচাৰে। কিন্তু অনিৰ্বচনীয় চৰম দুৰ্ভাগ্যজনক কথাটো হৈছে খ্ৰীষ্টিয়ানবিলাকে তেওঁলোকৰ জীৱন এনেবোৰ বিদ্যাৰ ক্ষেত্ৰত বিশেষজ্ঞ হবলৈ ব্যয় কৰা দেখিবলৈ পোৱা, যিবোৰ বিদ্যা স্বৰ্গত কোনো কামত নাহে।

আৰু কিছুমানৰ অন্য লোকক সহায় কৰাৰ মহৎ মনোভাৱ থাকে, গতিকে তেওঁলোকে ৰাজনীতি বা সমাজ কল্যাণ বা কোনো প্ৰকাৰৰ সমাজ উন্নয়ণৰ জগতত জপিয়াই পৰে। তেওঁলোকৰ সপক্ষে এই কথা কব লাগিব যে ওপৰত আলোচনা কৰি অহা সকলোৰে ভিতৰত তেওঁলোক আটাইতকৈ কম স্বাৰ্থপৰ, কিন্তু তথাপি তেওঁলোকৰ জনহিতৈষী কাৰ্যসূচী অসম্পূৰ্ণ। কাৰণ মানুহক সহায় কৰিবৰ বা তেওঁৰ সন্মুখত থকা বৃহৎ সমস্যাৰ সমাধান কৰিবৰ নিমিত্তে, আপুনি তেওঁৰ প্ৰকৃতি সলনি কৰিব লাগিব। এই যুগৰ কোনো কল্পনাবিলাসী আঁচনিয়ে সেই কাম কৰিব নোৱাৰে। কেৱল শুভবাৰ্ত্তাৰহে তাৰ উত্তৰ আছে। আটাইতকৈ সত্য মানৱপ্ৰেম হৈছে মানুহক প্ৰভু যীচু খ্ৰীষ্টৰ লগত পৰিচয় কৰাই দিয়া।

আৰু এইদৰে মানুহে যিবোৰ সাধাৰণ বস্তুৰ বাবে জীয়াই থাকে সেইবোৰ আমি নিৰীক্ষণ কৰি গৈ থাকিব পাৰোঁ, আৰু আমি সেইবোৰ মানুহৰ সৰ্বশ্ৰেষ্ঠ প্ৰচেষ্টাৰ অযোগ্য পাম, কাৰণ প্ৰথমতে সেইবোৰ অসাৰ্থক, আৰু দ্বিতীয়তে সেইবোৰ কালৰ পৰীক্ষাত অকৃতকাৰ্য হয়। সেইবোৰৰ মূল্য কেৱল এই জীৱনতে সীমাবদ্ধ। দুখন জগতৰ বাবে জীয়াই থকা খ্ৰীষ্টিয়ানসকলৰ দৰ্শন সেইবোৰে কেতিয়াও পূৰ্ণ কৰিব নোৱাৰে।

> দুখন জগতৰ বিবেচনা নকৰা কোনো জীৱনে জীৱনৰ প্ৰকৃত অৰ্থ বিচাৰি পোৱা নাই। এতিয়া যি জীৱন আছে সেয়া আৰু আহিব লগা জীৱন। যাৰ চুলি বগা হৈছে তেওঁ পৰ জীৱনৰ কথা ভাবিবলৈ আৰম্ভ কৰিলে কিবা লাভ হব জানো? মই সেইবিলাকক চুকি পাবলৈ বিচাৰিম যাৰ চুলি পকা নাই, আৰু সময় থাকোঁতেই ভাবিবলৈ, অবিশ্বাস আৰু নিকৃষ্টতা আৰু স্বাৰ্থপৰতা আৰু সংকীৰ্ণতাৰ পৰা বিশ্বাস আৰু দৃঢ়তা আৰু মহত্ত্বলৈ জীৱনক মোকলাবলৈ, জীৱনটো যে দুখন জগতৰ হয় তাক এতিয়াই ভাবিবলৈ তেওঁলোকক মিনতি কৰিবলৈ বিচাৰিম। দুখন জগত, এইখন ইমান চমু, আনখন অন্তহীন! সিপাৰে আমাৰ বাবে কি সাঁচি থোৱা আছে? সেই

প্ৰশ্নটোৱেই সাময়িক, অস্থায়ীক অনন্ত পৰিণতি আৰু মুহূৰ্ত্তলৈ তোলে। আজি মই যি কৰিছোঁ সেয়ে সমস্ত অনন্ত কালত মোৰ বাবে কিবা অৰ্থ বহন কৰিছে। তাক দেখি নোপোৱালৈকে মই জীৱনৰ সমস্যাৰ সন্মুখীন হবলৈ আৰম্ভ কৰা নাই।[২]

উইলিয়াম কেলী বাইবেলৰ এজন অত্যুত্তম ছাত্ৰ আছিল, যোৱা শতিকাৰ সমাপ্তিত গ্ৰেট' ব্ৰিটেইনত তেওঁৰ পাণ্ডিত্য আৰু আধ্যাত্মিকতাই তেওঁক ঈশ্বৰৰ বাবে এক প্ৰকৃত শক্তি কৰি তুলিছিল। মি· কেলীয়ে এজন যুৱ আত্মীয়ক ডাব'লিনৰ ট্ৰিনিটী কলেজৰ বাবে যুগুত হবলৈ সহায় কৰি দিছিল, আৰু এইদৰে তাৰ অধ্যাপকসকলৰ দৃষ্টি গোচৰ হৈছিল। কলেজত কাম লবলৈ আৰু এইদৰে নিজে বৈশিষ্ট্য অৰ্জন কৰিবলৈ তেওঁলোকে তেওঁক আহ্বান জনাইছিল। মি· কেলীয়ে যেতিয়া সম্পূৰ্ণ উৎসাহৰ অভাৱ প্ৰদৰ্শন কৰিলে তেওঁলোক হতবাক হৈছিল। তেওঁলোকৰ এজনে খঙতে সুধিছিল, "কিন্তু মি· কেলী, পৃথিৱীত নিজৰ বাবে নাম কৰিবৰ বাবে আপোনাৰ আগ্ৰহ নাই নে কি ?"

তাৰ উত্তৰত মি· কেলীয়ে তপৰাই কৈছিল, "কোনখন পৃথিৱী, মহাশয় ?"

হয়, সেইটোৱেই কথা! আমাৰ জীৱনৰ উচ্চাকাংক্ষাবোৰ বিবেচনা কৰোঁতে, ডাঙৰ প্ৰশ্নটো হৈছে, "কোনখন পৃথিৱী, মহাশয় ?"

*এই আলোকপাতৰ তলত আপোনাৰ উচ্চাকাংক্ষাই পৰিদৰ্শনত উত্তীৰ্ণ হব নে ?*

# ৯· জীৱনৰ ডাঙৰ বাধ্যবাধকতা

নিজৰ ভৱিষ্যতৰ বিষয়ে সুস্থ মানসিকতাৰে চিন্তা কৰিবৰ নিমিত্তে, মানুহে তিনিটা ডাঙৰ পথপ্ৰদৰ্শক নীতি বিবেচনা কৰিব লাগিব:

১। ঈশ্বৰলৈ তেওঁৰ দায়বদ্ধতা।

২। তেওঁৰ জাতি-মনুষ্যলৈ তেওঁৰ ঋণ।

৩। তেওঁৰ নিজৰ সৰ্বোত্তম স্বাৰ্থ।

এই আটাই তিনিটা দায়িত্ব পালন কৰাত ব্যৰ্থ হোৱা কোনো জীৱনকে প্ৰকৃততে সফল বুলি কব নোৱাৰি।

## আপোনাৰ ঈশ্বৰ

প্ৰথমতে ঈশ্বৰ! প্ৰভু যদি কেৱল আমাৰ সৃষ্টিকৰ্ত্তাও হলহেতেন, তথাপি তেওঁ আমাৰ অপৰিসীম বিশ্বাস আৰু অপৰিৱৰ্তিত সেৱাৰ যোগ্য হলহেতেন। কিন্তু সেই মহান সৃষ্টিকৰ্ত্তা যে আমাৰ ত্ৰাণকৰ্ত্তাও হল—এই সত্যই পলায়ন অসম্ভৱ কৰে।

আমাৰ প্ৰত্যেক জনে এই চিৰন্তন সত্যকেইটাৰ লগত সংঘৰ্ষ কৰিব লাগিব:

১। ঈশ্বৰে তেওঁৰ পৰম দয়াত মোৰ ঠাইত মৰিবলৈ তেওঁৰ একমাত্ৰ পুত্ৰক পঠালে।

২। প্ৰভু যীচুৱে মোৰ বাবে স্বইচ্ছাই স্বৰ্গৰ জেউতিৰ পৰা এই পৃথিৱীৰ কদৰ্য আৰু লজ্জালৈ আহিল।

৩। মোৰ আত্মা ৰক্ষা কৰিবৰ নিমিত্তে, তেওঁ কষ্টভোগ কৰিলে, তেজ বোৱালে আৰু মৃত্যু হল।

৪। যি জনা মৰিল তেওঁ কেৱল মানৱ নাছিল, কিন্তু এই আকাশমণ্ডলক অস্তিত্বলৈ অনা সেই একে জনা আছিল।

৫। মই তেওঁৰ শত্ৰু হৈ থাকোঁতেই তেওঁ মোৰ বাবে মৰিছিল।

৬। মোৰ পাপৰ বেচ দিবলৈ তেওঁ ভোগ কৰা যাতনা ইমান বেছি আছিল যে কোনো মানৱ মনে কেতিয়াও সেইবোৰ বুজিব নোৱাৰিব।

৭। পাপৰ দাস-বজাৰত মোক কিনিবলৈ তেওঁৰ তেজ বোৱাবলৈ তেওঁ যথেষ্ট পৰিমাণে মোক মূল্য দিছিল।

৮। মোৰ ৰজা, মোৰ প্ৰভু আৰু মোৰ গৰাকী হবৰ নিমিত্তে তেওঁ মৃত্যু বৰণ কৰিছিল।

খ্ৰীষ্টিয়ানলৈ এই সত্যবোৰ অতি সহজে নতুনত্বহীন হৈ পৰিব পাৰে। কিন্তু যেতিয়া, বিৰল মুহূৰ্ত্তবোৰত, সেইবোৰৰ মহিমাৰ ৰেঙনিয়ে আমাৰ প্ৰাণ উপচাই পেলায়, আমি সম্পূৰ্ণৰূপে আশ্চৰ্যৰে অভিভূত হওঁ আৰু কেৱল চিঞৰি উঠিব পাৰোঁ:

মোৰ বাবে তেওঁ যি সকলো কৰিলে তাৰপাছত,
মোৰ বাবে তেওঁ যি সকলো কৰিলে তাৰপাছত,
মোৰ সৰ্বোত্তম তেওঁক নিদিয়াকৈ
আৰু তেওঁলৈ সম্পূৰ্ণৰূপে জীয়াই নথকাকৈ মই কেনেকৈ পাৰিম,
মোৰ বাবে তেওঁ যি সকলো কৰিলে তাৰপাছত।

– বেটী দাছ'ৱাণ্ড।

এই কথা যদি সত্য হয় যে খ্ৰীষ্টে তেওঁৰ তেজেৰে মোক কিনিলে, তেন্তে ই স্পষ্ট যে মই আৰু মোৰ নিজৰ নহওঁ, কিন্তু কেৱল তেওঁৰহে হওঁ। পাঁচনি পৌলে এই কথাখিনি লিখোঁতে সেই যুক্তিকে দৰ্শাইছিল:

কাৰণ খ্ৰীষ্টৰ প্ৰেমে আমাক সীমাবদ্ধ কৰি ৰাখিছে; কিয়নো আমি নিশ্চয় কৰিলোঁ যে সকলোৰে নিমিত্তে এজনা মৰিল, এতেকে সকলো মৰিল; আৰু তেওঁ সকলোৰে নিমিত্তে মৰিল, এই আশয়েৰে যেন জীৱন পোৱাবিলাকে নিজৰ নিমিত্তে আৰু নিজী, তেওঁবিলাকৰ অৰ্থে মৃত্যুভোগ কৰা আৰু পুনৰুত্থিত হোৱা জনাৰ নিমিত্তেহে যেন জীয়ে (২ কৰিন্থীয়া ৫:১৪,১৫)।

এতিয়াৰে পৰা নিজৰ নিমিত্তে নহয়, কিন্তু তেওঁৰ নিমিত্তে! চি· টি· ষ্টাডে অন্য কোনো সিদ্ধান্ত দেখা পোৱা নাছিল।

যীচুৱে মোৰ বাবে মৰাৰ বিষয়ে মই জানিছিলোঁ, কিন্তু মই কেতিয়াও বুজি পোৱা নাছিলোঁ যে যদি তেওঁ মোৰ বাবে মৰিল, তেন্তে মই মোৰ নহওঁ। পৰিত্ৰাণৰ অৰ্থ ঘূৰাই কিনি লোৱা, গতিকে মই যদি তেওঁৰ হওঁ, মই চোৰ হব লাগিব আৰু যি মোৰ নহয় তাক ৰাখি থব লাগিব, নাইবা মই মোৰ সকলো ঈশ্বৰলৈ দি দিব লাগিব। যেতিয়া মই বুজি পালোঁ যে যীচু খ্ৰীষ্ট' মোৰ বাবে মৰিল, তেওঁৰ বাবে সকলো ত্যাগ কৰাটো কঠিন যেন নালাগিল।[১]

আইজাক' ৱাট'ছে এই সমস্ত যুক্তিপূৰ্ণ তৰ্ক এই জনপ্ৰিয় কিন্তু কম-চৰ্চিত শাৰী কেইটিত বন্দী কৰিছে:

গোটেই প্ৰকৃতি হলেও মোৰ,
অতি ক্ষুদ্ৰ দানৰ অৰ্থে;

আশ্চৰ্য স্বৰ্গীয় প্ৰেমে তেওঁৰ
মোৰ প্ৰাণ, জীৱন, সৰ্ব খোজে।

কাউন্ট জিন'জেন'ডৰ্ফে কৈছিল, "মই ভাবিছিলোঁ মই যিটো বস্তু আটাইতকৈ ভালপাওঁ, সেইটো যদি মই তেওঁক নাযাচোঁ, মই মোৰ ত্ৰাণকৰ্ত্তাৰ যোগ্য নহম।"

আৰু উগাণ্ডাৰ পিল্কিংটনে স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল, "তেওঁ যদি ৰজা, সকলোলৈ তেওঁৰ অধিকাৰ আছে।"

কিছু বছৰৰ আগতে, যেতিয়া এজন মিছনেৰী, মি: টি· ই· উইল'ছনে আংগলা দেশৰ এদল থলুৱা মানুহৰ আগত কথা কৈ আছিল, তেওঁ তেওঁৰ দৰ্শকসকলৰ মাজত এজন ডাঙৰ, হৃষ্ট-পুষ্ট মানুহক লক্ষ্য কৰিলে, তেওঁৰ কাষত এজন ভীত, কঁপি থকা লৰা আছিল। মানুহজনে প্ৰত্যেক বাৰে লৰচৰ কৰিলেই ল'ৰাটো ভয়তে কোঁচ খাই গৈছিল। উপাসনাৰ সামৰণিত প্ৰচাৰকজনে গম পালে যে ই এটা দাসৰ সৈতে এজন নিষ্ঠুৰ গৰাকীৰ পুৰণি কাহিনী। লগে লগে তেওঁ লৰাটো কিনিবলৈ বন্দৱস্ত আৰম্ভ কৰিলে। উচ্চ মূল্যৰ বাবে গৰাকীজনে দৰ-দাম কৰিলে, তাৰপাছত অৱশেষত চুক্তিবোৰৰ লগত সন্তুষ্ট হৈ লৰাটো তেওঁক বিক্ৰী কৰিলে।

খ্ৰীষ্টিয়ানজনে যেতিয়া তেওঁৰ কিনা বস্তু লৈ ঘৰলৈ গল, তেওঁ বুজিলে যে দাসজনে তাৰ পূৰ্বৰ গৰাকীক ভয় কৰাৰ দৰেই তেওঁকো ভয় কৰে। গতিকে তেওঁলোক যেতিয়া ঘৰ পালেগৈ, তেওঁ লৰাজনক লৈ বহিল আৰু কলে, "বোপা, মই আজি তোমাক কিনিলোঁ, আৰু এতিয়া তুমি মোৰ হোৱা। কিন্তু এতিয়াৰ পৰা তুমি মুক্ত আৰু তোমাৰ যি মন যায় কৰিব পাৰা। তুমি হাবিলৈ ঘূৰি গৈ তাত তোমাৰ নিজৰ মানুহবোৰৰ লগত থাকিব পাৰা, অথবা তুমি মোৰ ঘৰত থাকি মোৰ পৰিয়ালৰ সদস্য **হব পাৰা**।"

লৰাটোৱে যেতিয়া বুজিলে যে মিছনেৰীজনে যি কৈছে তাকেই অৰ্থ কৰিছে, তেতিয়া সি চকুলোৰে ভৰা নয়নেৰে তেওঁলৈ চাই কলে, "মি: উইল্‌ছন, মই চিৰদিন আপোনাৰ দাস হৈ থাকিম।"

সি আৰু অন্য কি যুক্তিপূৰ্ণ সঁহাৰি দিব পাৰিলেহেতেন? আৰু সেই একে প্ৰতীকৰ দ্বাৰা, আমি কোৱা উচিত, "হে প্ৰভু যীচু, মই চিৰদিন তোমাৰ দাস হৈ থাকিম। হাত, ভৰি, স্বৰ, বুদ্ধি—এই সকলো তোমাৰ হয়। মোৰ বাবে তুমি তেজ বোৱালা আৰু মৰিলা; এতিয়াৰ পৰা মই তোমাৰ বাবে জীয়াই থাকিম।"

ঈশ্বৰৰ কৃপাই আমাক তেওঁলৈ ঋণী কৰে, আৰু আমাৰ জীৱনৰ

সম্পূৰ্ণ নিবেদনৰ বাদে আন একোৱেই যোগ্য সঁহাৰি হব নোৱাৰে (ৰোমীয়া ১২:১,২)।

## আপোনাৰ প্ৰতিবেশী

পিছে আমাৰ এটা দ্বিতীয় দায়বদ্ধতা আছে, আৰু সেইটো হৈছে আমাৰ স্বজাতিৰ প্ৰতি। খ্ৰীষ্টধৰ্ম অপৰিহাৰ্যভাৱে নিঃস্বাৰ্থপৰ। ই গ্ৰীক আৰু অসভ্য, জ্ঞানী আৰু অজ্ঞানী, সকলোৰে প্ৰতি গভীৰ ঋণী অনুভূতিৰ তলত শ্ৰম কৰে (ৰোমীয়া ১:১৪); আত্মাৰ প্ৰতি প্ৰৱল আৱেগৰ দ্বাৰা, এক ৰহস্যময় বাধ্যতাৰ অনুভূতিৰে ই সঞ্চাৰিত হয়, যি অনুভূতিয়ে কান্দি উঠে, “শুভবাৰ্ত্তা প্ৰচাৰ নকৰিলে মোৰ সন্তাপ হব” (১ কৰিন্থীয়া ৯:১৬)।

গতিকে, উদ্যোগী যুৱ খ্ৰীষ্টিয়ানসকলে এই বিবেচনাযোগ্য বস্তুবোৰ চালি-জাৰি নোচোৱাকৈ জীৱনৰ আঁচনি কৰিব নোৱাৰে:

১। আমাৰ চৌপাশে থকা জগতখন ধ্বংস হবলৈ ধৰিছে।
খ্ৰীষ্টবিহীন দোষ আৰু বিনাশত,
প্ৰতি দিনে হাজাৰ হাজাৰ প্ৰাণ, এটি এটিকৈ মৃত্যু হবলৈ ধৰিছে।

২। পৰিত্ৰাণ পোৱাবিলাকৰ বাবে স্বৰ্গৰ অতুলনীয় আনন্দ বাট চাই আছে, কিন্তু নৰকৰ অবৰ্ণনীয় দুখ খ্ৰীষ্টৰ অবিহনে মৃত্যু হোৱাবিলাকৰ অনন্ত অংশ হব। প্ৰত্যেক খ্ৰীষ্টিয়ানে এঘন্টাৰ বাবে মনে মনে বহি নৰকৰ বিষয়ে চিন্তা কৰা উচিত–তাৰ চিৰন্তনতা, তাৰ পৰিতাপ, তাৰ অন্ধকাৰ, তাৰ যন্ত্ৰনা। তেওঁলোকে অনতিপলমে তালৈ যাবলৈ ওলোৱা আত্মীয়, বন্ধু-বান্ধৱ, প্ৰতিবেশী, সকলো ঠাইৰ মানুহবিলাকৰ কথা ভবা উচিত। তেওঁলোকে এই বিষয়ে যথেষ্ট সময় ভবা উচিত যাতে তেওঁলোকে আৰু কেতিয়াও নগণ্য, নিয়মিত, আত্মসন্তুষ্টিৰ খ্ৰীষ্টিয়ান জীৱন জীয়াই থাকিব নোৱাৰে।

৩। শুভবাৰ্ত্তা যদি সত্য নহয়, তাক সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিব লাগে, কিন্তু যদি ই সত্য, তেন্তে তাক পৃথিৱীৰ অন্তিম ভাগলৈকে ঘোষণা কৰিব লাগে। কেন্সাৰ ৰোগৰ নিৰাময় জানিও তাক নিজৰ ব্যৱহাৰৰ বাবে স্বাৰ্থপৰভাৱে ৰাখি থোৱাটো হত্যা হব। একেদৰে আত্মাৰ নিৰাময় জানিও তাক ভগাই নোলোৱাটো আত্মাৰ হত্যা।

ওপৰৰ পৰা অহা পোহৰেৰে আমাৰ যাৰ আত্মা হৈছে আলোকিত,

অন্ধকাৰত থকা লোকক কৰিম নে আমি বঞ্চিত জীৱনৰ প্ৰদীপ?

৪। এই প্ৰজন্মৰ মানৱ জাতিক কেৱল এই প্ৰজন্মৰ

খ্ৰীষ্টিয়ানসকলেহে ঢুকি পাব পাৰে। গতিকে আমাৰ দায়বদ্ধতাক আনলৈ হস্তান্তৰ কৰিব নোৱাৰি।

৫। আমাৰ ওপৰত ন্যস্ত মহান দায়িত্বৰ (মথি ২৮:১৯,২০) লগত আমি কি কৰিলোঁ তাৰবাবে আমি জবাবদিহি দিব লাগিব। আত্মাৰ তেজেৰে ৰক্তাক্ত আমাৰ বস্ত্ৰেৰে আমি অনন্ত কাললৈ যাবলৈ সাহস কৰিব পাৰিম নে?

৬। আমি লগ পোৱা প্ৰত্যেকজন ব্যক্তি ত্ৰাণকৰ্ত্তাৰ মুকুটৰ ওপৰত এটি সম্ভাৱনাপূৰ্ণ ৰ!। তেনেহলে, আমি তেওঁৰ উদ্দেশ্যে তেওঁলোকক প্ৰেম কৰিব লাগিব। এই সত্যবোৰৰ আমি মুখামুখিকৈ আৰু সাহসেৰে সন্মুখীন হব লাগিব, আৰু আমি যদি নহওঁ, যিমান দূৰ জীৱনৰ গতিপথ নিয়ন্ত্ৰণৰ কথা আছে, আমি পথচ্যুত হৈ থাকিম।

## আপোনাৰ স্বকীয়তা

শেষতে, আমাৰ জীৱনৰ পৰিকল্পনাসমূহ আমাৰ নিজৰ সৰ্বোত্তম স্বাৰ্থ আগত ৰাখি বিধিবদ্ধ কৰা উচিত। প্ৰথম দৃষ্টিত, এইটো অমাৰ্জনীয়ভাৱে স্বাৰ্থপৰ যেন দেখা যায়, কিন্তু ই তেনে নহয়, কাৰণ ঈশ্বৰে আমি সৰ্বোত্তম লাভ কৰা বিচাৰে আৰু আমি এনে ধৰণে জীয়াই থকাটো বিচাৰে যেন তেওঁৰ প্ৰেমে আমাৰ বাবে যি পৰিকল্পনা কৰিছিল তাক আমি লাভ কৰোঁ।

মই মোৰ নিজৰ স্বাৰ্থ কেনেকৈ সৰ্বোত্তমভাৱে পূৰণ কৰিব পাৰোঁ, এই জীৱন আৰু আহিব লগা জীৱন উভয়ৰে বাবে? যুৱ খ্ৰীষ্টিয়ানসকলে তলত দিয়া কথাকেইটা গভীৰভাৱে ভাবি চাওক:

১। আপোনাৰ আত্মাই পৰিত্ৰাণ পোৱা আৰু আপোনাৰ জীৱন হেৰোৱাটো সম্ভৱপৰ।

২। এই জীৱনটো ইয়াতে শেষ নহয়, কিন্তু অনন্ত কালৰ বাবে এক বিনিয়োগহে মাথোন। "জীৱন-কাল ৰাজত্ব-কালৰ বাবে প্ৰশিক্ষণ-কাল।"

৩। আপোনাৰ জীৱন এতিয়াই আয়োজন কৰাটো সম্ভৱ যাতে আপোনাৰ মৃত্যুৰ পাছতো আপুনি কাম কৰি গৈ থাকিব পাৰে। এফ'. ডব্লিউ. ব'ৰহেমে কৈছিল যে "নিজৰ বাবে কিছুমান সৎকৰ্ম যোগোৱাটো প্ৰত্যেক মানুহৰ কৰ্ত্তব্য যি কৰ্ম তেওঁ তেওঁৰ কবৰত শয়ন কৰি থকা অৱস্থাতো কৰিব পাৰে।"

৪। আমি এদিন খ্ৰীষ্টৰ সোধবিচাৰৰ আসনৰ আগত থিয় হম!

তেতিয়া কি হিচাপত লোৱা হব? কেৱল ঈশ্বৰৰ বাবে জীয়াই থকা জীৱনটোকহে।

৫। সেই দিনা শুদা-হাত হোৱাৰ ভয়ংকৰ সম্ভাৱনা আছে।

যাম নে মই শুদা-হাতেৰে
ত্ৰাণকৰ্ত্তাৰ ওচৰলৈ,
দিবলৈ তেওঁৰ চৰণ তলে
কোনো ফল নোলোৱাকৈ।
যাম নে মই শুদা-হাতেৰে
ত্ৰাণকৰ্ত্তাৰ ওচৰলৈ,
দিম নে দেখা শুদা-হাতে,
কোনো ফল নোলোৱাকৈ।

৬। তেওঁৰ "চাবাইচ!" হেৰুৱালে, একোৱেই তাৰ ক্ষতি পূৰ কৰিব নোৱাৰিব।

> বিচাৰোঁতাজনে পাৰ হৈ যোৱাৰ সময়ত এজন মানুহে যেতিয়া অন্য এটা পথত নিজৰ কাম কৰি গৈ থাকে, তেতিয়াৰ কল্পনা কৰিব নোৱাৰা হানিৰ তুলনাত অন্য যি কোনো হানি ধূলি মাথোন যেনহে লাগে। দিনটোৰ অন্তত উভতি চাই, সন্ধিয়াৰ পোহৰত যেতিয়া বস্তুবোৰ স্পষ্টকৈ দেখা যায়, আৰু দেখা যায় যে আমাক মুক্তি দিয়া প্ৰভুৱে ঠিক সেই সময়তে সেই পথটোত আছিল আৰু সেই আত্মাক "জগতৰ পাপ নিওঁতা ঈশ্বৰৰ মেৰ পোৱালীক চোৱা!" বুলি কবলৈ কোনোবা এজনক বিচাৰি আছিল—আৰু আমি তাত নাছিলোঁ, তেতিয়া কেনেকুৱা লাগিব।[১]

এটি মাত্ৰ মুহূৰ্ত্তৰ প্ৰতিফলনেও প্ৰকাশ কৰিব যে আমি যেতিয়া ঈশ্বৰৰ ইচ্ছাৰ কেন্দ্ৰত থাকোঁ তেতিয়াহে আমাৰ নিজৰ সৰ্বোত্তম স্বাৰ্থ, সময় আৰু অনন্ত কাল উভয়ৰে বাবে, সৰ্বোত্তম ভাৱে সম্পন্ন হয়।

আমি তেনেহলে আমাৰ উচ্চাকাংক্ষা পৰীক্ষা কৰিবলৈ আৰু নিজকে সুধিবলৈ অলপ ৰখিম নে:

১। সেইবোৰে ঈশ্বৰলৈ মোৰ কৰ্ত্তব্যক স্বীকৃতি দিয়ে নে?

২। সেইবোৰে মানৱ জাতিলৈ মোৰ ঋণ পৰিশোধ কৰে নে?

৩। এই জীৱনত আৰু স্বৰ্গত সেইবোৰে মোৰ বাবে সৰ্বোত্তম লাভ উৎপন্ন কৰে নে?

সেইবোৰে যদি এই চৰ্তবোৰ পূৰণ নকৰে, তেন্তে সেইবোৰ অযোগ্য অভিলাষ আৰু অদৰকাৰী বুলি পেলাই দিয়া উচিত।

# ১০· জীৱনৰ মহৎ অংগীকাৰবদ্ধতা

পূৰ্বৰ অধ্যায়ত আমি দেখিলোঁ যে প্ৰত্যেক বিশ্বাসীয়ে তেওঁৰ ঈশ্বৰলৈ, তেওঁৰ প্ৰতিবেশীলৈ আৰু নিজলৈ একান্ত দায়বদ্ধতাৰ অধীনত থাকে: তেওঁৰ ঈশ্বৰলৈ, সৃষ্টিত আৰু উদ্ধাৰত তেওঁৰ কাৰ্যৰ বাবে; তেওঁৰ প্ৰতিবেশীলৈ, কাৰণ খ্ৰীষ্টৰ অবিহনে সেইজন প্ৰতিবেশী চিৰকালৰ বাবে নষ্ট হব; নিজলৈ, কাৰণ তেওঁ এদিন খ্ৰীষ্টৰ সোধবিচাৰৰ আসনৰ আগত থিয় দিব আৰু তেওঁৰ সমস্ত জীৱন সমীক্ষালৈ অনা হব।

এজন খ্ৰীষ্টিয়ানে তেনেহলে এই তিনিতৰপীয়া দায়িত্ব কেনেকৈ সৰ্বোত্তমভাৱে পূৰ্ণ কৰিব পাৰিব ? তেওঁ যদি কেৱল নিজৰ বাবে জীয়াই থাকে, এই জীৱনত তেওঁ শোচনীয় আৰু পাছৰ জীৱনত নিঠৰুৱা হব। এয়েই তেওঁৰ নিজৰ সৰ্বোত্তম স্বাৰ্থ পূৰণ কৰা হব নে ?

তেওঁ যদি, শুভবাৰ্ত্তাৰ বাদে, তেওঁৰ প্ৰতিবেশীৰ সৰ্বসাধাৰণ উন্নতিৰ বাবে জীয়াই থাকে, তেওঁ কোনো প্ৰকৃত দয়া নকৰে, কাৰণ মানুহক লাগে খ্ৰীষ্টক, আৰু তেওঁৰ অবিহনে তেওঁলোক চিৰকালৰ বাবে নষ্ট হব।

কিন্তু, আনহাতে, তেওঁ যদি তেওঁৰ জীৱন সম্পূৰ্ণৰূপে প্ৰভুক সোধাই দিয়ে, তেওঁ কোনো ভুল কৰিব নোৱাৰে, কাৰণ যিজন ব্যক্তিয়ে ঈশ্বৰক সৰ্বাধিক প্ৰেম কৰে তেওঁ প্ৰয়োজন মতে শুভবাৰ্ত্তাৰ যোগেদি মানৱ জাতিক সহায় কৰিব, আৰু সেই গতিকে, এতিয়াৰ সুখ আৰু ভৱিষ্যতৰ পুৰস্কাৰ উভয় ক্ষেত্ৰতে, তেওঁৰ নিজৰ সৰ্বোত্তম স্বাৰ্থ পূৰণ কৰিব।

গতিকে সাৰ্থক খ্ৰীষ্টিয়ান জীৱনৰ মহান ৰহস্য নিজৰ সমস্ত অস্তিত্ব ঈশ্বৰলৈ সমৰ্পিত কৰাতে বিচাৰি পোৱা যায়।

ই এটি মুকলি স্বীকাৰোক্তিৰে আৰম্ভ হয় যে আমাৰ জীৱনৰ বাবে কি সৰ্বোত্তম তাক আমি নাজানোঁ। যিৰিমিয়াই এই ভাবধাৰা সুন্দৰভাৱে ব্যক্ত কৰিছিল যেতিয়া তেওঁ কৈছিল, "হে যিহোৱা, মই জানো যে মানুহৰ গতি নিজ অধিকাৰত নাথাকে; নিজ খোজ স্থিৰ কৰিবলৈ খোজ চলাওঁতাজনৰ শক্তি নাই" (যিৰিমিয়া ১০:২৩)।

ই এক বদ্ধমূল বিশ্বাসো ধাৰণ কৰে যে আমাৰ জীৱনৰ বাবে ঈশ্বৰৰ এক "সৰ্বোত্তম পৰিকল্পনা" আছে, যে আন্তৰিকতাৰে কামনা কৰিলে আমি তেওঁৰ "সৰ্বোত্তম" লাভ কৰিব পাৰোঁ, আৰু সেয়ে নহলে,

আমি তেওঁৰ "দ্বিতীয় সৰ্বোত্তম" অথবা "তৃতীয় সৰ্বোত্তম" অথবা "অন্য সৰ্বোত্তম" জানিম।

এই কথা সঁচাকৈ বিশ্বাস কৰি, বিবেচনাপূৰ্ণ প্ৰাণী হিচাপে, আমি জীৱনৰ মহৎ অংগীকাৰ কৰিবলৈ, আমাৰ জীৱন তেওঁলৈ সমৰ্পণ কৰিবলৈ বাধ্য হওঁ। সমৰ্পণ কৰাৰ অৰ্থ হৈছে আমাৰ সমস্ত অস্তিত্ব – প্ৰাণ, আত্মা আৰু শৰীৰ–প্ৰভুলৈ সোধাই দিয়া। ইয়াৰ অৰ্থ হৈছে আমাৰ দেহৰ সকলো অংগ, আমাৰ যি আছে আৰু আমি যি হওঁ, সেই সকলোৰ উৎসৰ্গা। ইয়াৰ অৰ্থ হৈছে তেওঁলৈ আমাৰ ইচ্ছাৰ চৰ্তবিহীন ত্যাগ। ইয়াৰ অৰ্থ সম্পূৰ্ণ আত্মসমৰ্পণ।

বেটী ষ্টেমে' ছহীদ হোৱাৰ ন' বছৰ পূৰ্বে জীৱনৰ মহৎ অংগীকাৰ কৰিছিল। তেওঁ তেওঁৰ বাইবেলত লিখিছিল:

> প্ৰভু, মোৰ নিজৰ অভিপ্ৰায় আৰু পৰিকল্পনা, আৰু মোৰ সকলো হেপাহ, আশা আৰু অভিলাষ (সেইবোৰ মাংসিকেই হওক বা আত্মিকেই হওক) মই ত্যাগ কৰিছোঁ, আৰু মোৰ জীৱনৰ বাবে তোমাৰ ইচ্ছা গ্ৰহণ কৰিছোঁ। মই নিজে, মোৰ জীৱন, মোৰ সকলো চিৰকাল তোমাৰ হবলৈ সম্পূৰ্ণৰূপে তোমালৈ দিছোঁ। মোৰ সকলো বন্ধুত্ব সযত্নে ৰাখিবলৈ তোমালৈ গতাই দিছোঁ। মই প্ৰেম কৰা সকলো লোকে মোৰ হৃদয়ত দ্বিতীয় স্থান লব। তোমাৰ পবিত্ৰ আত্মাৰে মোক পূৰ্ণ কৰা। মোৰ জীৱনৰ বাবে তোমাৰ সমস্ত ইচ্ছা এতিয়াৰ আৰু চিৰকালৰ নিমিত্তে, যি কোনো মূল্যত, প্ৰতিপন্ন কৰা। মোৰ নিমিত্তে জীয়াই থকাই হৈছে খ্ৰীষ্ট'।[১]

য়েল' বিশ্ববিদ্যালয়ৰ ব'ৰ্ডেনে, শুভবাৰ্ত্তা লৈ চীনদেশলৈ গৈ থকাৰ পথত, চেৰিব্ৰেল মেনিন'জাইটিছ ৰোগত ইজিপ্তত মৃত্যু বৰণ কৰাৰ কেই বছৰমানৰ আগতে জীৱনৰ মহৎ অংগীকাৰ কৰিছিল:

> হে প্ৰভু যীচু, মোৰ জীৱনৰ সন্দৰ্ভত মই মোৰ হাত আঁতৰাই নিছোঁ। মোৰ অন্তৰৰ সিংহাসনত মই তোমাক স্থাপন কৰিছোঁ। তুমি বিচৰাৰ মতে মোক সলনি কৰা, শুচি কৰা, ব্যৱহাৰ কৰা। তোমাৰ পবিত্ৰ আত্মাৰ সম্পূৰ্ণ শক্তি মই লৈছোঁ। মই তোমাক ধন্যবাদ দিওঁ।[২]

আৰু এইবোৰ প্ৰাচ্যৰ এখন বাগিচাৰ নিস্তব্ধতাত এই বুলি চিঞৰি উঠা এটি তাতোকৈ মহান স্বৰৰ প্ৰতিধ্বনি মাথো আছিল, "মোৰ ইচ্ছা নহয় কিন্তু তোমাৰ ইচ্ছাই পূৰ্ণ হওক।"

ঈশ্বৰৰ কথাত আগবাঢ়ি যোৱা প্ৰত্যেক আত্মাৰ লগত এনেকুৱাই হব লাগিব। এটি প্ৰথম বাৰ হব লাগিব যেতিয়া তেওঁ নিজৰ ইচ্ছা প্ৰত্যাহাৰ কৰে আৰু নিজকে ঈশ্বৰলৈ জীৱন্ত উৎসৰ্গা হিচাপে আগবঢ়ায়, এই বুলি কৈ:

মই যলৈ যোৱা তুমি বিচাৰা মই তালৈ যাম;
মই যি কৰাটো তুমি বিচাৰা তাক মই কৰিম;
মই যি কোৱাটো তুমি বিচাৰা তাক মই কম;
মই যি হোৱা তুমি বিচাৰা মই সেয়া হম।

এবাৰ এই চৰ্তবিহীন সমৰ্পণ কৰাৰ পাছত, দৈনিক চৰ্চাত ইয়াক দোহাৰিব লাগিব। বিশ্বাসীজনে সমৰ্পণতাৰ স্থিতিত নিজকে ৰাখিব লাগিব। তেওঁ মনত ৰাখিব লাগিব যে সকলো সময়তে তেওঁৰ গৰাকীৰ পৰা আদেশৰ বাবে বাট চাই থকা তেওঁ এজন কিনি লোৱা দাস। জীৱনৰ প্ৰত্যেকটো দিশত তেওঁ খ্ৰীষ্টৰ প্ৰভুত্ব স্বীকাৰ কৰিব লাগিব।

তেতিয়া কি ঘটিব? ব্যক্তিজনে কিবা বিশাল শাৰীৰিক ৰূপান্তৰৰ অভিজ্ঞতা লাভ কৰিব নে কি? এক চাঞ্চল্যকৰ আৱেগিক সংকট হব নে কি? উত্তৰত স্বৰ্গৰ পৰা অগ্নিবৰ্ষণ হব নে কি?

অন্ততঃ অধিকাংশ ক্ষেত্ৰত, তেনে কোনো বাহ্যিক চিন বা প্ৰদৰ্শন নহয়। বৰঞ্চ বিশ্বাসৰ শান্ত আশ্বাস হব যে ঈশ্বৰে স্বৰ্গত শুনিলে আৰু উৎসৰ্গ গ্ৰহণ কৰা হৈছে। আমি যিদৰে বিশ্বাস কৰোঁ যে অনুগ্ৰহপ্ৰাৰ্থী পাপী হিচাপে আমি তেওঁৰ ওচৰলৈ আহিলে তেওঁ আমাক ৰক্ষা কৰে, ঠিক তেনেদৰে আমি বিশ্বাস কৰিব লাগিব যে আমি জীৱন্ত বলি হিচাপে তেওঁৰ ওচৰলৈ আহিলে তেওঁ আমাক গ্ৰহণ কৰে।

তাৰপাছত নতুনত্বহীনৰ দ্বাৰা নিৰুৎসাহ হোৱাৰ আশংকাই দেখা দিয়ে। কিছুমান ক্ষেত্ৰত, জীৱনটো অতি নিয়মিতভাৱে চলি থাকিব। হয়তো দৈনিক কামকাজবোৰ নীৰস, বৈচিত্ৰহীন বা আনকি নিঃকিন নিচিনাও লাগিব। কিন্তু ডাঙৰ কথাটো হৈছে সমৰ্পিত হোৱা, এই কথা জনা যে আপুনি খোজ দিয়া পথটোৱেই হৈছে আপোনাৰ বাবে নিৰূপণ কৰা পথ। আপুনি সৰু সৰু কথাবোৰত বিশ্বাসী হলে, ঈশ্বৰে বিশ্বস্ততাৰে আপোনাক সংকটত পথ দেখুৱাই চলাই নিব। এখোজ এখোজকৈ, তেওঁ চলাই নিব। জীৱনত ক্ৰমান্বয়ে আচৰিত, সৰু সৰু, অপৰিকল্পিত সংযোগবোৰ আপোনাৰ জ্ঞাত হব। আপুনি লক্ষ্য কৰিব যে বস্তুবোৰ "ক্লিক্" কৰে। আপুনি নিজকে এনে সুযোগবোৰৰ সন্মুখীন হোৱা পাব যিবোৰ আপুনি নিজে কেতিয়াও মুকলি কৰিব নোৱাৰিলেহেতেন। আৰু যদিও ঈশ্বৰৰ পথদৰ্শন বিশেষ কিছুমান সময়ত হয়তো অতি অস্পষ্ট আছিল, তথাপি সমৰ্পিত জীৱনৰ বছৰবোৰলৈ উভতি চালে, আপুনি বুজিব যে প্ৰভুৱে চলাই আনিছিল, আৰু আপোনাৰ জীৱিকা "সন্মোহিত" আছিল।

ইয়াত প্ৰতীক্ষা—দীৰ্ঘ, কষ্টকৰ প্ৰতীক্ষা—জড়িত থাকিব, যিটো

কাম আমি অতি কম ভালকৈ কৰোঁ। কিন্তু সেইটো আমাৰ প্ৰয়োজনীয় প্ৰশিক্ষণৰ অংশ।

ঘূৰি যোৱাৰ, পুনৰ বিবেচনা কৰাৰ, উৎসৰ্গা-বেদীৰ পৰা শোচনীয়ভাৱে চুঁচৰি নামি যোৱাৰ আশংকা সদায়ে থাকিব। এজন খ্ৰীষ্টিয়ানে তেওঁৰ বহা কোঠাৰ দেৱালত এটি মূলমন্ত্ৰ আঁৰি থৈছিল: "হে প্ৰভু, তুমি মোক যি কোনো মূল্যত তোমাৰ বাবে ৰাখি থবা।" কিন্তু তাৰপাছত তেওঁ এদিন মনে মনে ওচৰলৈ গৈ কথাখিনি গুচাই পেলালে– তাৰ মূল্য অত্যন্ত বেছি আছিল। আমি আমাৰ বলিদান অপৰিৱৰ্তনীয় কৰিব লাগিব, কাৰণ যি জনে নাঙলত হাত দি পাছফাললৈ ঘূৰি চায়, তেওঁ ঈশ্বৰৰ ৰাজ্যৰ বাবে উপযুক্ত নহয় (লূক ৯:৬২)।

কিন্তু সমৰ্পিত জীৱনত অন্য যি বস্তুৱেই নাথাকক, তাত কোনো সন্তাপ নাথাকে। ব'ৰ্ডেনে ইয়াৰ বিষয়ে "কোনো সংযম, কোনো প্ৰত্যাহাৰ, কোনো সন্তাপ নথকা" জীৱন বুলি কৈছিল। ই প্ৰকৃততে সুফল দিয়া জীৱন।

এতিয়া তেনেহলে আমি এই সকলো ব্যৱহাৰযোগ্য আৰু ব্যক্তিগত কৰিব লাগিব। আমি প্ৰত্যেকে সাহসেৰে আৰু সততাৰে এই প্ৰশ্নকেইটাৰ সন্মুখীন হওঁহঁক যেন আমি ঈশ্বৰৰ উপস্থিতিতহে আছোঁ!

*আপুনি কেতিয়াবা জীৱনৰ মহৎ অংগীকাৰ কৰিছে নে?*

*যি জীৱন প্ৰকৃততে ঈশ্বৰৰ হয় সেই জীৱনক ধৰি ৰাখিবলৈ চেষ্টা কৰি, আপুনি এতিয়াও ঈশ্বৰৰ অহিতে সংঘৰ্ষ কৰি আছে নে কি?*

*আপোনাৰ বাবে মৰা ত্ৰাণকৰ্ত্তাৰ বাবে কোনো বলিদান অতিশয় ডাঙৰ হব পাৰে নে?*

*এনে কোনো ঠাই আছে নে কি যলৈ যাবলৈ আপুনি এতিয়াও আগ্ৰহী নহয়?*

*আপুনি আশংকা কৰে নে কি যে ঈশ্বৰে আপোনাক এনে কোনো সেৱাৰ পৰিধিলৈ আমন্ত্ৰণ কৰিব পাৰে যিটো আপুনি আপোনাৰ মৰ্যাদাতকৈ হীন বুলি বিবেচনা কৰে?*

*আপোনাৰ জীৱন কোনো দ্বিমত নোহোৱাকৈ যীচু খ্ৰীষ্টলৈ– এতিয়াই– দিবলৈ আপুনি সাহস কৰে নে?*

*এই কাম নকৰিবলৈ আপুনি সাহস কৰে নে?*

# ১১· জীৱিকাৰ ভূমিকা

খ্ৰীষ্টলৈ সমৰ্পিত হোৱাৰ বিষয়টো আলোচনা কৰিলেই, কোনোবা এজনে অনিবাৰ্যৰূপে এই আপত্তিৰে আত্মপক্ষ সমৰ্থন কৰে, "কিন্তু মইতো জীয়াই থাকিব লাগিব, নহয় জানোঁ ?" ভাৱধাৰা ইয়াতকৈ আৰু কিমান কৰুণভাৱে বিভ্ৰান্তিকৰ হব পাৰে? এয়ে ব্যক্ত কৰে বা সূচায়:

১। যে যিয়েই নহওক লাগে, আমি জীয়াই থাকিব লাগিব;

২। যে যিবিলাকে খ্ৰীষ্টলৈ তেওঁলোকৰ জীৱন উছৰ্গা কৰে, তেওঁলোকে কিবা প্ৰকাৰে স্বয়ংক্ৰিয়ভাৱে পূৰ্ণকালীন সেৱাত সোমায় আৰু জীৱিকাৰ বাবে আৰু কোনো কাম নকৰে;

৩। যে মানুহ যেতিয়া ঈশ্বৰলৈ সমৰ্পিত নহয় কিন্তু তেওঁৰ এটা "ভাল চাকৰি" থাকে, তেতিয়াতকৈ মানুহ যেতিয়া ঈশ্বৰলৈ সমৰ্পিত হয় তেতিয়া ভোকত থকাৰ সম্ভাৱনা বেছি।

এইটো এটা ভুল বিচাৰপূৰ্বক সিদ্ধান্ত কাৰণ, প্ৰথমতে, আমি জীয়াই থাকিব নালাগে। প্ৰভু যীচুৰ দাসবিলাকে তেওঁলোকৰ প্ৰস্থানৰ ধৰণ বা সময় বাছি নলয়। ঈশ্বৰে যিমান দিন ইচ্ছা কৰে সিমান দিন জীয়াই থকাটোহে গুৰুত্বপূৰ্ণ। সেই সময় নহালৈকে আমি অমৰ।

দ্বিতীয়তে, ই ভুল কাৰণ প্ৰত্যেকজন বিশ্বাসী পূৰ্ণকালীন সেৱাত থকা উচিত। কিছুমানৰ বাবে অফিচেই মিছন ক্ষেত্ৰ, অন্য কিছুমানৰ বাবে ৰান্ধনিঘৰটো। কিছুমানে আফ্ৰিকাৰ অমাৰ্জিত লোকবিলাকলৈ সাক্ষ্য দিয়ে, আনবিলাকে আমেৰিকা যুক্তৰাষ্ট্ৰ ত।

শেষতে, এইটো ভুল ধাৰণা কাৰণ ই পাহৰি যায় যে যিবিলাকে খ্ৰীষ্টৰ স্বাৰ্থক আগস্থান দিয়ে তেওঁলোকক জীৱনৰ অত্যাৱশ্যকীয়বোৰৰ নিশ্চয়তা দিয়া হৈছে।

তোমালোকে প্ৰথমে তেওঁৰ ৰাজ্য আৰু ধাৰ্মিকতা বিচাৰা;
তাতে এই সকলোও তোমালোকক দিয়া হব। মথি ৬:৩৩।

কিন্তু এই সমস্ত বিষয়টোৰ ওপৰত আমাৰ চিন্তাধাৰা স্পষ্ট কৰিবৰ নিমিত্তে, আমি কিজানি খ্ৰীষ্টিয়ানৰ জীৱনত জীৱিকাৰ ভূমিকা চমুকৈ বিবেচনা কৰা উচিত।

১। প্ৰথমতে, এইটো ঈশ্বৰৰ সামগ্ৰিক পৰিকল্পনা যে মানুহে কৰ্মৰ দ্বাৰা তেওঁৰ জীৱিকা অৰ্জন কৰা উচিত।

> তোমাৰ মুখৰ ঘামেৰে আহাৰ কৰিবলৈ পাবা (আদিপুস্তক ৩:১৯)।
> ছদিন পৰিশ্ৰম কৰি তোমাৰ সকলো কাৰ্য কৰা (যাত্ৰাপুস্তক ২০:৯)।
> কাম কৰিবলৈ যদি কোনোৱে অসন্মত হয়, তেন্তে তেওঁ আহাৰো নকৰক,
> এই বুলি…আমি তোমালোকক আদেশ দিছিলোঁ (২ থিচলনীকীয়া ৩:১০)।
> কঠোৰ শ্ৰমত কোনো দুৰ্যশ নাই। বৰঞ্চ, ই ঈশ্বৰৰ পৰা মানুহলৈ আশীৰ্বাদ।

২। খ্ৰীষ্টিয়ানজনে কি জীৱিকা বা বৃত্তিত প্ৰৱেশ কৰিব সেই বিষয়ে তেওঁ প্ৰভুৰ পথদৰ্শন বিচৰা উচিত। মিছন ক্ষেত্ৰলৈ গলে তেওঁ যিদৰে স্পষ্ট পথদৰ্শন বিচাৰে, ইয়াৰ ওপৰতো তেওঁ সেইদৰে স্পষ্ট পথদৰ্শন আশা কৰা উচিত।

৩। এই অৰ্থত, বাহিৰৰ অঞ্চলবোৰত কৰা ধৰ্মপ্ৰচাৰ কাৰ্যতকৈ চাকৰি কোনো গুণে কম মৰ্যাদাৰ নহয়। ডাঙৰ কথাটো হৈছে যে চাকৰিৰ নিৰ্বাচনত ঈশ্বৰে চলাই নিছিল। অৱশ্যে, ঈশ্বৰৰ ইচ্ছালৈ মানুহ প্ৰকৃততে সমৰ্পিত নহলে, আৰু সেই গতিকে যি কোনো স্থানলৈ যাবলৈ আগ্ৰহী নহলে, এই কথাত তেওঁ সম্পূৰ্ণ দৃঢ়বিশ্বাসী হব নোৱাৰে।

৪। বৰ্তমানৰ "ধৰ্মনিৰপেক্ষ" কাৰ্য আৰু "পবিত্ৰ" কাৰ্যৰ মাজৰ যি সাধাৰণ পাৰ্থক্য আছে, সেইটো শাস্ত্ৰ-সম্বন্ধীয় নহয়। ঈশ্বৰৰ গৌৰৱৰ অৰ্থে কৰিলে সকলো কাৰ্যই পবিত্ৰ। এই সন্দৰ্ভত জি· কেম্পবেল্ ম'ৰ্গেনে লিখিছিল:

> "সাধাৰণ নিৰূপিত কাৰ্য" কথাষাৰ প্ৰত্যেক জীৱনৰ পৰা কাটি পেলোৱা উচিত। যীচুৱে আমাক শিকাইছিল যে পৰিশ্ৰমকৰোঁতাজন পবিত্ৰ হলে, সকলো পৰিশ্ৰমেই পবিত্ৰ। বিতৰ্কৰ সৃষ্টি কৰিবৰ বাবে নহয় কিন্তু মানৱ জীৱনৰ এটা ভুল ধাৰণাৰ বিৰুদ্ধে প্ৰতিবাদ হিচাপে, মই আপোনাক কওঁ যে কোনো মানুহে প্ৰচাৰ কৰে বা বিশেষ কিছুমান কাৰ্য সম্পন্ন কৰে বুলিয়েই, তেওঁৰ নিজকে "পবিত্ৰ পদবী"ৰ মানুহ বুলি কোৱাৰ কোনো অধিকাৰ নাই। কাইলৈ পুৱা যিজন মানুহে পিঠিত তেওঁৰ মোনা আৰু তাৰ ভিতৰত তেওঁৰ সঁজুলিবোৰ লৈ কাম কৰিবলৈ ওলাই যায়, তেওঁ যদি পবিত্ৰ মানুহ হয়, তেন্তে সেই সন্মানলৈ তেওঁৰ দাবী আছে, আৰু সেই মানুহজনে যদি কাঠ-মিস্ত্ৰীৰ দোকানলৈ গৈ এটুকুৰা কাঠ কৰতেৰে কাটে, সেই কৰতখন ঈশ্বৰৰ পবিত্ৰ স্থানৰ এটি পাত্ৰ, যদি তাক ব্যৱহাৰ কৰা মানুহজন এজন পুৰোহিত হয়। সকলো সেৱা পবিত্ৰ সেৱা। আহিব

লগা সপ্তাহটোৰ প্ৰত্যেকটো দিনত, কাউন্টাৰৰ পাছফালে আৰু অফিচত, আৰু প্ৰিয় ভনীসকল, মই যদি কব পাৰোঁ, তেন্তে ঘৰতো, কৰ্মৰত খ্ৰীষ্টৰ এই চিন্তাটি আপোনালোকে লগত লৈ ফুৰাটো মই বিচাৰোঁ।[১]

৫। বৃত্তিৰ সংক্ৰান্তত প্ৰভুৰ পথপ্ৰদৰ্শন বিচাৰোতে, বিশ্বাসীজনে মনত ৰখা উচিত যে এজন মানুহৰ য'ত তেওঁৰ স্বাভাৱিক প্ৰতিভা আছে, ঈশ্বৰে সাধাৰণতে সেই ক্ষেত্ৰতে তেওঁক ব্যৱহাৰ কৰে। এইটো ব্যতিক্ৰমহীন নিয়ম নহয়, কিন্তু অন্ততঃ এটি আচৰণৰ চানেকী ব্যক্ত কৰে।

৬। স্পষ্টকৈ, এজন বিশ্বাসীক প্ৰভুৱে সন্দেহজনক বা অসৎ উদ্যোগলৈ চলাই নিনিব, আৰু চাকৰি মানে যদি জাগতিক ৰীতিত লিপ্ত হোৱা অথবা তেওঁৰ সাক্ষ্যক আপোচ কৰা বুজায়, তেন্তে কোনো বিশ্বাসীয়ে তেনে চাকৰিত লাগি থকা অনুচিত।

৭। মনত ৰাখিব লগীয়া আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে যে চাকৰিটোৱেই জীৱনত প্ৰধান বস্তু নহয়। ই কেৱল এটা উদ্দেশ্যলৈ সাধনোপায়। কেৰীৰ মন্তব্যই যি খ্যাতি লাভ কৰিছিল ই তাৰ যোগ্য। জীৱনত তেওঁৰ কি কাৰ্য বুলি সোধাত, তেওঁ উত্তৰ দিছিল, "মোৰ কাৰ্য হৈছে শুভবাৰ্ত্তা প্ৰচাৰ কৰা; খৰচ বহন কৰিবলৈ মই জোতা মেৰামতি কৰোঁ।"

নিজৰ নামত ডিপাৰ্টমেন্ট ষ্টোৰৰ প্ৰতিষ্ঠাতা জ'ন ৱানামেকাৰ বিষয়েও একে ধৰণৰ কাহিনী শুনিবলৈ পোৱা যায়। তেওঁৰ দৰে এজন ইমান ব্যস্ত মানুহে কেনেকৈ দেওবৰীয়া স্কুলৰ কাম কৰিবলৈ সময় পাইছিল বুলি সোধাত, তেওঁ কৈছিল, "কিয়, দেওবৰীয়া স্কুল মোৰ ব্যৱসায়! আন বাকীবোৰ মাত্ৰ কামহে। ৫৫ বছৰৰ আগতে মই সিদ্ধান্ত লৈছিলোঁ যে প্ৰভুৰ প্ৰতিশ্ৰুতি নিশ্চিত, 'তোমালোকে প্ৰথমে তেওঁৰ ৰাজ্য আৰু ধাৰ্মিকতা বিচাৰা; তাতে এই সকলোও তোমালোকক দিয়া হব।"

সেইটোৱেই মনত ৰাখিব লগীয়া ডাঙৰ বিষয়! প্ৰথমতে প্ৰভুৰ স্বাৰ্থ আছে; ব্যৱসায় গৌণ। বিপদে মূৰ ডাঙে যেতিয়া চাকৰিয়ে অত্যাধিক অনুপাত ধাৰণ কৰে। উটটোৱে ঠেলি তম্বুৰ তলত সোমোৱাৰ দৰে, জীৱিকাই প্ৰায়ে ন্যায্য গৰাকীজনক ঠেলি বাহিৰলৈ পঠাই দিয়ে। ই এজন মানুহক স্থানীয় মণ্ডলীৰ মিটিঙবোৰৰ পৰা আঁতৰাই নিয়ে। ই তেওঁৰ সময়ৰ বৰ্দ্ধিত অংশ দাবী কৰে। ই তেওঁৰ খ্ৰীষ্টিয়ান সেৱাত ইমান বাধা প্ৰদান কৰে যে সেয়ে তুলনামূলকভাৱে অসাৰ্থক হৈ পৰে।

সাধাৰণতে তাৰ ফল এই যে বিশ্বাসীজনে তেওঁৰ জন্ম অধিকাৰৰ পৰা প্ৰবঞ্চিত হয়। জ'ৱেটে কোৱাৰ দৰে, তেওঁ "এক ক্ষণস্থায়ী উদ্যোগত এজন সৰু বিষয়া"ৰ বাহিৰে একো নহয়গৈ। "কম গুৰুত্বপূৰ্ণক আকোৱালি লোৱা"ৰ দ্বাৰা, তেওঁ জীৱনৰ প্ৰধানত্বক হেৰুৱায়।

৮। আমি যেতিয়া চাকৰিটো গৌণ বুলি কওঁ, তাৰ অৰ্থ নহয় যে চাকৰিটো অসাৱধানতাৰে বা অনাগ্ৰহীভাৱে কৰিব লাগে। তাৰ বিপৰীতে, তাক শুদ্ধকৈ, মন-প্ৰাণ দি আৰু ভালদৰে কৰিবলৈ এক খ্ৰীষ্টিয়ান সাক্ষ্যৰ বিষয় হোৱা উচিত—যেন প্ৰভুৰ বাবেহে কৰা হৈছে। ঈশ্বৰৰ সন্তানে প্ৰত্যেক ঘন্টাৰ দৰমহাৰ বাবে তেওঁৰ নিয়োগকৰ্ত্তাক ষাঠি মিনিটৰ উৎসৰ্গকৃত কাম দিয়া উচিত। আৰু ঘটনাক্ৰমে, আনলৈ সাক্ষ্য দিবৰ বাবে তেওঁ তেওঁৰ নিয়োগকৰ্ত্তাৰ সময় ব্যৱহাৰ নকৰিব; সেয়া তেওঁৰ নিজৰ খৰচত, অৰ্থাৎ, তেওঁৰ নিজৰ সময়ত কৰা উচিত।

এজন খ্ৰীষ্টিয়ানৰ বাবে এই কথা জনা প্ৰায়ে কঠিন হয় যে ঠিক কোনটো মুহূৰ্ত্তত তেওঁৰ নিয়োগকৰ্ত্তাৰ অধিকাৰ দাবীয়ে প্ৰভুলৈ তেওঁৰ দায়িত্বক বেদখল কৰিবলৈ আৰম্ভ কৰে। বহুতে এই আলসুৱা সন্তুলন বজাই ৰাখিব নোৱাৰে। কিন্তু এই কথা নিশ্চিত! মানুহে যদি বিষয়টোত প্ৰকৃততে ঈশ্বৰক সন্মান কৰে, ঈশ্বৰে তেওঁক সন্মান কৰিব আৰু তেওঁক আহাৰ ভিক্ষা কৰিবলৈ নিদিব যদিও কেতিয়াবা সংস্থান সলনি কৰাৰ আৱশ্যক হব পাৰে।

৯। যিটো লুকাই থকা বিপদ এৰাই চলিব লাগে সেইটো হৈছে নিজৰ জীৱন এনে কাম কৰি ব্যয় কৰা যিটো পৰিত্ৰাণ নোপোৱা লোকেও সমানেই ভালদৰে কৰিব পাৰিলেহেতেন। প্ৰভু যীচুৱে কৈছিল, "মৃতবিলাকে নিজৰ নিজৰ মৃতবিলাকক কবৰ দিয়ক, কিন্তু তুমি গৈ ঈশ্বৰৰ ৰাজ্যৰ কথা প্ৰচাৰ কৰা" (লূক ৯:৬০)। যি কোনো মানুহেই মৃতক কবৰ দিব পাৰে, কিন্তু কেৱল মুক্তিলাভ কৰা ওঁঠেহে খ্ৰীষ্টৰ উদ্ধাৰকাৰী দয়াৰ সাক্ষ্য দিব পাৰে। সেই অৰ্থত, আমি অপৰিহাৰ্য হোৱা উচিত।

১০। যীচু খ্ৰীষ্টৰ বাবে আমি যিটো কাম নকৰিম লেতেৰা মুনাফাৰ বাবে সেইটো কাম কৰিবলৈ আমি কেতিয়াও আগ্ৰহী হব নালাগে। মণ্ডলীক যিটো দিবলৈ আমি ঘৃণা কৰিম ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাবে তাক আমি কেতিয়াও উৎসৰ্গ কৰা অনুচিত।

১১। প্ৰায়ে এজন মানুহে যেতিয়া তেওঁৰ কৰ্ত্তব্য বিশ্বস্ততাৰে সম্পন্ন কৰে আৰু নম্ৰভাৱে ঈশ্বৰৰ দ্বাৰা ব্যৱহৃত হয়, ঈশ্বৰে তেওঁৰ সেৱাৰ পৰিধি বৃদ্ধি কৰে। হয়তো প্ৰভুৰ কামত তেওঁৰ সময় ক্ৰমান্বয়ে আৰু

অধিক ব্যৱহাৰ হয় আৰু তেওঁ দেখে যে তথাপি তেওঁৰ দৈনিক প্ৰয়োজনীয়বোৰ যোগাৰ হৈ আছে। অথবা ধৰ্মপ্ৰচাৰলৈ বা গৃহভূমি বা বিদেশত শিক্ষা প্ৰদান কৰিবলৈ তেওঁৰ সম্পূৰ্ণ সময় নিয়োজিত কৰিবলৈ তেওঁ হয়তো ঈশ্বৰৰ পৰা এক স্পষ্ট আৰু নিশ্চিত আমন্ত্ৰণ পায়। প্ৰভুৱে স্পষ্টভাৱে পৰিচালনা কৰা তেনেবোৰ ক্ষেত্ৰত, খ্ৰীষ্টিয়ানজনে তেওঁৰ পাৰ্থিৱ প্ৰয়োজনবোৰৰ যোগাৰৰ বিষয়ে কোনো ভয় নকৰাকৈ আগবাঢ়ি যাব পাৰে। ঈশ্বৰে যেতিয়া আমন্ত্ৰণ কৰে, তেওঁ যোগায়ো, অথবা হাড'ছন' টেইলৰে কোৱাৰ দৰে, "ঈশ্বৰৰ মতে কৰা ঈশ্বৰৰ কাৰ্যত ঈশ্বৰৰ যোগানৰ কেতিয়াও অভাৱ নহব।"

১২। যি যুগত জগতে ব্যৱসায় আৰু বৃত্তিত কৃতকাৰ্যতাক মহত্ত্ব দিয়ে, খ্ৰীষ্টিয়ানসকলে তেনে সাফল্যক নিৰ্বিকাৰ উদাসীনতাৰে দৃষ্টি কৰিব পৰাটো ভাল কথা। এক ৰাজহুৱা উপযোগিতাৰ সাম্ৰাজ্যৰ মুৰব্বী হোৱাতকৈ ক্ষুদ্ৰ প্ৰকাৰে খ্ৰীষ্টক সেৱা কৰাই উত্তম। আৰু ঈশ্বৰৰ ইচ্ছাৰ বাহিৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হোৱাতকৈ ঈশ্বৰৰ ইচ্ছাত আৱৰ্জনা সংগ্ৰাহক হোৱাই উত্তম।

এইবোৰেই তেনেহলে বিবেচনাযোগ্য বস্তু যিবোৰ যুৱ খ্ৰীষ্টিয়ানসকলে তেওঁলোকৰ বৃত্তিৰ বিষয়ে চিন্তা কৰোতে জুখি চোৱা উচিত। তেওঁ নিৰ্ভুলভাৱে পৰিস্কাৰ হোৱা উচিত যে যি কোনো নিৰ্দিষ্ট কাৰ্যলৈ ঈশ্বৰে তেওঁক পৰিচালনা কৰি নিছে, আৰু সেই কাম তেওঁৰ প্ৰভু আৰু গৰাকীলৈ চৰ্তবিহীন সমৰ্পণৰ পৰা হাত সাৰিবলৈ তেওঁ এনেই তুলি লোৱা নাই।

# ১২· কৈফিয়ৎ, ছলনা আৰু অজুহাত

খ্ৰীষ্টৰ দাবীবোৰ যেতিয়া মানুহৰ ওপৰত হেঁচি দিয়া হয়, তেতিয়া নিজৰ কৈফিয়ৎ দিয়াৰ, ছলনা কৰি ওলাই যোৱাৰ, অজুহাত দেখুওৱাৰ এটা সচৰাচৰ প্ৰৱণতা থাকে। আমি ইতিপূৰ্বে তেনে এটা ফাঁকি বিবেচনা কৰি আহিছোঁ – "কিন্তু মইতো জীয়াই থাকিব লাগিব, নহয় জানোঁ ?" আমি এতিয়া ত্ৰাণকৰ্ত্তাৰ আমন্ত্ৰণলৈ "নোৱাৰোঁ" বুলি কোৱাৰ অন্য উপায়বোৰ চমুকৈ চাম।

এটা অতি সাধাৰণ ফাঁকি হৈছে এইটো! "মই মোৰ ভৱিষ্যতৰ কথা ভাবিব লাগিব!"

কিছু বছৰৰ আগতে, এখন পূৰ্বোত্তৰ ৰাজ্যৰ এজন যুৱকে এক বিশেষ ধৰণৰ সেৱাত প্ৰভুলৈ তেওঁৰ জীৱন উৎসৰ্গ কৰাৰ বিষয়ে গভীৰভাৱে চিন্তিত হৈছিল। তেওঁ অন্তৰৰ ভিতৰত গভীৰ সংগ্ৰাম আৰু তীব্ৰ জৰুৰী অনুভূতি উপলব্ধি কৰিছিল। সেৱাৰ এই পথ গ্ৰহণ কৰাৰ অথবা ব্যৱসায়িক জগতত এটি উত্তম স্থিতিক ধৰি ৰখাৰ বিকল্পৰ সন্মুখীন হৈ, তেওঁ তেওঁতকৈ বয়সস্থ দুজন খ্ৰীষ্টিয়ানৰ পৰামৰ্শ ললে; তেওঁলোক নিজে বৃত্তিগত জীৱনত বিশিষ্ট আছিল। এইখিনি কথাৰে তেওঁলোকে তেওঁক চাকৰি এৰি দিয়াৰ অহিতে দৃঢ়তাৰে পৰামৰ্শ দিলে, "মনত ৰাখিবা, বব্, তুমি তোমাৰ ভৱিষ্যতৰ কথা চিন্তা কৰিব লাগিব!"

তেওঁ তেওঁৰ উচ্চ দৰমহাৰ স্থান ৰাখিলে – *কিন্তু তেওঁ জানোঁ সঁচাকৈ তেওঁৰ ভৱিষ্যতৰ কথা চিন্তা কৰিলে ?*

তাৰ পাছত এনে কোৱা আনবিলাক আছে, "কিন্তু কোনোবাতো ঘৰত থাকিব লাগিব!" এইদৰে কথা কোৱা মানুহবিলাকক খ্ৰীষ্টৰ বাবে বিতৰ্কিত অৱস্থানত থকাবিলাকৰ বাবে গভীৰ চিন্তা প্ৰদৰ্শন কৰা যেন লাগে, কিন্তু প্ৰায়ে তেওঁলোকৰ মনোভাৱ তেনে কাৰ্যলৈ আমন্ত্ৰিত হোৱাৰ সম্ভাৱনাৰ সন্মুখীন হবলৈ নিজৰ অনিচ্ছাৰ বাবে কেৱল এক আৱৰণহে মাথোন।

ই সত্য যে শুভবাৰ্ত্তা বিলাবলৈ ওলাই যোৱাবিলাকক সমৰ্থন কৰিবলৈ ঈশ্বৰে কিছুমানক ঘৰত ব্যৱহাৰ কৰে, কিন্তু এইটো বেছ অদ্ভূত যেন লাগে যে ইমানবিলাক স্বাস্থ্যৱান, সাহসী, বলিষ্ঠ, প্ৰতিভাশালী যুৱক ঘৰত থাকিবলৈ আমন্ত্ৰিত হোৱাৰ সময়ত তেওঁলোকৰ দুৰ্বল,

লাজকুৰীয়া ভনীসকলে বিপদজনক, ৰোগেৰে পূৰ্ণ অঞ্চলবোৰলৈ অগ্ৰদূত হিচাপে ওলাই যায়।

আনবিলাকে হয়তো যুক্তি দেখুৱায় যে "খ্ৰীষ্টিয়ান কাৰ্য"ত ব্যৱহাৰ হোৱাতকৈ তেওঁলোকৰ প্ৰতিভা বা শিক্ষা বেলেগ কামত আৰু ভালদৰে ব্যৱহাৰ হব পাৰে; সেই কাৰণে, প্ৰভুৱে তেওঁলোকক কোনো ধৰণৰ "তেওঁলোকৰ স্তৰতকৈ তল খাপ"ৰ সেৱালৈ আমন্ত্ৰণ কৰিব বুলি ভয় কৰি তেওঁলোকে প্ৰভুলৈ সমস্ত মনেৰে সমৰ্পণ কৰিবলৈ সংকোচ কৰে। ইয়াৰ উত্তৰটো সহজ: আমাৰ সক্ষমতা ক'ত সৰ্বোত্তমভাৱে ব্যৱহাৰ কৰিব পৰা যায়, সেইটো আমি কোৱা কথা নহয়। কিন্তু তাতোকৈ ডাঙৰ কথা, আমাৰ যি আছে সেয়া তেওঁৰ বাবে অতি বেছি ভাল বুলি ভবাটো ঈশ্বৰলৈ চৰম অসন্মান। আমাৰ এনে একো নাই যি আমি তেওঁৰ পৰা লাভ কৰা নাই। আৰু শিক্ষা আৰু প্ৰতিভা নিজৰ নিজৰ স্থানত ঠিক হলেও, সেইবোৰৰ সৰ্বশ্ৰেষ্ঠ স্থান প্ৰভু যীচু খ্ৰীষ্টৰ গঁজাল-বিদ্ধ চৰণতহে। পাঁচনি পৌল এজন অসাধাৰণ বৌদ্ধিক লোক, বিস্ময়কৰ কৰ্মী, প্ৰতিভাশালী মনীষী আছিল। ভোগ-বিলাসপ্ৰিয়বিলাকৰ বাবে অতিশয় গুৰুত্ব বহন কৰা বস্তুবোৰৰ বিষয়ে চিন্তা কৰোঁতে তেওঁ লিখিছিল:

> কিন্তু মোৰ পক্ষে যি যি লাভ আছিল, সেই সকলোকে খ্ৰীষ্টৰ নিমিত্তে মই হানি যেন মানিলোঁ; এনে কি, মোৰ প্ৰভু খ্ৰীষ্ট' যীচুৰ জ্ঞানৰ উত্তমতাৰ কাৰণে, মই সকলোকে হানি যেনহে মানিছোঁ; আৰু…যেন খ্ৰীষ্টক লাভ কৰোঁ,…এই কাৰণে তেওঁৰ অৰ্থে সকলোৰে হানি সহন কৰিছোঁ আৰু সকলোকে বিষ্ঠা যেন মানিছোঁ (ফিলিপীয়া ৩:৭,৮,১১)।

আৰু কিছুমানে, খ্ৰীষ্টলৈ সম্পূৰ্ণ সমৰ্পণৰ যুক্তিযুক্ততাৰ সন্মুখীন হৈ কয়, "কিন্তু মোৰ বহুত বয়স হৈছে।" আমি এই আত্মিক কাম-পলৰীয়াবিলাকক মাত্ৰ সুধিম, "বাধ্য হবলৈ আপোনাৰ কেতিয়াবা বেছি বয়স হয় নে কি ?"

আন এটা অজুহাত "ঘৰত দায়িত্ব।" পিতৃমাতৃ, বা পত্নী আৰু সতি-সন্ততি! এইটো যুক্তিপূৰ্ণ নে যে নিজকে ঈশ্বৰলৈ নিবেদন নকৰাৰ কাৰণ হিচাপে তেওঁ কেতিয়াবা আমাক এই মৰমৰ আত্মীয়সকল দিব ? এইদৰে তেওঁ নিজৰ উদ্দেশ্য আৰু আমাৰ নিজৰ সৰ্বোত্তম স্বাৰ্থক বিধি-পথালি দিব নে ? নহয়, ঘৰৰ ন্যায্য দায়িত্ব অৱহেলা কৰাকৈ এজন উৎসৰ্গিত খ্ৰীষ্টিয়ানক ঈশ্বৰে কেতিয়াও পৰিচালনা নকৰে। কিন্তু আমাৰ

প্ৰথম দায়িত্ব হৈছে তেওঁক মানি লোৱা আৰু “নিজৰ বাপেক, মাক, তিৰোতা, সন্তান আৰু ভায়েক-ভনীয়েকবিলাক, এনে কি নিজৰ প্ৰাণতকৈয়ো” (লূক ১৪:২৬) তেওঁক অধিক প্ৰেম কৰা।

কিছুমান সৎ প্ৰাণে সম্পূৰ্ণ সমৰ্পণ কৰিবলৈ সংকোচ কৰে কাৰণ তেওঁলোকে অনুভৱ কৰে যে তেওঁলোক যথেষ্ট পৰিমাণে প্ৰতিভাশালী নহয়। কিন্তু নমনীয় হবলৈ মানুহ প্ৰতিভাশালী হব নালাগে! খালী পাত্ৰৰ লগত খ্ৰীষ্টে অতিকৈ ভালদৰে কাম কৰে। তদুপৰি, প্ৰভুৰ কাৰ্যলৈ সকলো প্ৰকৃত আমন্ত্ৰণত কিছু পৰিমাণে মানৱ সতৰ্কতা থকা যেন দেখা যায়, গতিকে এই মনোভাৱ নিজতে নিজে প্ৰতিকূল নহয়। শেষতে, খ্ৰীষ্টৰ শৰীৰৰ প্ৰত্যেকটো অংগৰ কিছু প্ৰতিভা আছে, আৰু তেওঁৰ প্ৰকৃত কৰ্ত্তব্য জানিবৰ বাবে, তেওঁ যীচুক প্ৰভু স্বৰূপে স্বীকাৰ কৰিব লাগিব।

এই সকলোৰে ভিতৰত আটাইতকৈ কৰুণ অজুহাত বোধকৰো এইটো: “ঈশ্বৰে তেওঁৰ বাবে মই সকলো ত্যাগ কৰাটো প্ৰকৃততে নিবিচাৰে; মই ইচ্ছুক আছোঁ নে নাই তাকেহে মাথোন তেওঁ জানিবলৈ বিচাৰে।” সংঘৰ্ষ-ৰেখাৰ ওচৰত এদল সৈন্যদলক কল্পনা কৰক। আগবাঢ়ি যাবলৈ যেতিয়া আদেশ দিয়া হয়, সৈন্যবিলাকে তেওঁলোকৰ সুৰক্ষাৰ খালত বহি তেওঁলোকৰ বন্দুক পালিচ কৰি কৰি মন্তব্য কৰে, “জেনেৰেলে আচলতে আমি আগবাঢ়ি যোৱাটো বিচৰা নাই; তেওঁ মাত্ৰ জানিব বিচাৰিছে আমি ইচ্ছুক আছোঁ নে নাই।” এনেদৰে কোনো যুদ্ধ জিকা নাযাব, আৰু সদায় কেৱল পৰাজয়ৰ ইতিহাসহে লিখা হব।

এই সকলোবোৰ খ্ৰীষ্টলৈ নিজকে নিদিয়াৰ বাবে মানুহে ব্যৱহাৰ কৰা অজুহাত। এইবোৰ অজুহাত, কাৰণ নহয়। ত্ৰাণকৰ্ত্তালৈ মহান অংগীকাৰবদ্ধতা নকৰাৰ কোনো কাৰণ নাই।

*তেওঁ যেতিয়া আপোনাক আকৌ এবাৰ কয়, “মোৰ পুত্ৰ (মোৰ কন্যা), মোক তোমাৰ*
*হৃদয় দিয়া!” আপুনি তেওঁক কি যাচিব ?*
*অজুহাত ? নে আপোনাক নিজক ?*

# ১৩· অনুৰাগৰ জীৱন

প্ৰভু যীচু খ্ৰীষ্টৰ যদি কিবা মূল্য আছে, তেওঁৰ সম্পূৰ্ণ মূল্য আছে! আমাৰ বাবে যদি তেওঁ মৰিল, তেন্তে আমিও তেওঁৰ বাবে মৰা উচিত! তেওঁ যদি আমাৰ বাবে তেওঁৰ শৰীৰ দিলে, আমিও আমাৰ শৰীৰ তেওঁলৈ দিয়া উচিত!

প্ৰকৃত খ্ৰীষ্টিয়ানজন সঁচাকৈয়ে গোড়া। তেওঁ প্ৰত্যাখ্যান আৰু অপযশৰ পাত্ৰ। জগতৰ লগত তেওঁৰ খোজ নিমিলে, তেওঁৰ পৰিৱেশৰ লগত তেওঁ খাপ নাখায়। যি মুহূৰ্ত্ততে তেওঁ "গতানুগতিক মানুহ" হৈ পৰে, তেওঁ তেওঁৰ প্ৰকৃত চৰিত্ৰ হেৰুৱায়।

আদৰ্শ বিশ্বাসীজনে আসক্তিৰে জীয়াই থাকে। যীচু খ্ৰীষ্টৰ বাবে তেওঁ জ্বলন্ত। তেওঁ কাউন্ট জিন'জেন'ডৰ্ফৰ নিচিনা, যিজনে কৈছিল, "মোৰ এটাই আসক্তি আছে: সেয়া তেওঁ, কেৱল তেওঁ।" অন্য সকলো গৌণ।

ঈশ্বৰৰ লোকবিলাকে তেওঁৰ বাবে কোনো ত্যাগকে অতিশয় ডাঙৰ বুলি বিবেচনা নকৰে। তেওঁলোকৰ ধন, তেওঁলোকৰ সময়, তেওঁলোকৰ নিজস্ব জীৱন তেওঁক গতাই দিয়া হয়, আৰু তেনে কৰিবলৈ তেওঁলোক আনন্দিত।

ৰবাৰ্ট আৰ্থিংটনৰ দৰে তেওঁলোকে কয়, "খ্ৰীষ্টৰ জ্ঞানৰ অবিহনে মানুহ নষ্ট হোৱাতকৈ, মই আনন্দিত মনেৰে মজিয়াক মোৰ বিছনা, এটা বাকচক মোৰ চকী আৰু অন্য এটা বাকচক মই মেজ কৰিম।"

তেওঁৰ শিষ্যবিলাক, এক প্ৰকাৰে, অস্বাভাৱিক। তেওঁলোক তেওঁলোকৰ জন্মগত প্ৰবৃত্তিৰ বিপৰীতে যায়। তেওঁলোকে গতানুগতিক জীৱনৰ বন্ধনবোৰ অস্বীকাৰ কৰে। আনে অবিচ্ছেদ্য বুলি গণ্য কৰা অধিকাৰবোৰ তেওঁলোকে খ্ৰীষ্টৰ হকে ত্যাগ কৰে। তেওঁৰ অনুগামীবিলাক কিনি লোৱা দাস। আদেশ দিবলৈ তেওঁলোকে ধৰি নলয়। তেওঁলোকে কেৱল মানি চলে।

এজন সমৰ্পিত খ্ৰীষ্টিয়ান তীৰ্থযাত্ৰী আৰু অচিনাকি লোক, তেওঁ আচহুৱা দৃশ্যপটৰ মাজেদি ঘূৰি ফুৰি তাত থকা মানুহবিলাকলৈ বিশ্বাসীভাৱে সাক্ষ্য দিয়ে, কিন্তু তাৰ কোনো আচৰণ নিজৰ ওপৰত জাপি নলয়।

তেওঁ বন্ধুত্ব গঢ়িবলৈ আসক্তি নথকা, পাৰ্থিৱ বস্তুৰ আশা বা আকাংক্ষা নথকা, পাৰ্থিৱ হানিৰ আশংকা নথকা, জীৱনৰ আগ্রহ নথকা, মৃত্যুৰ ভয় নথকা মানুহ; তেওঁৰ কোনো শ্রেণী, দেশ বা স্থিতি নাই; এটা চিন্তাৰে মানুহ, খ্রীষ্টৰ শুভবাৰ্ত্তা; এটা অভিপ্রায়ৰ মানুহ, ঈশ্বৰৰ গৌৰৱ; এজন মূৰ্খ, আৰু খ্রীষ্টৰ হকে মূৰ্খ বুলি গণ্য হোৱাত সন্তুষ্ট। তেওঁক উদ্যমী, গোড়া, চেলবেলীয়া, বা জগতে আখ্যা দিবলৈ বিচৰা অন্য যি কোনো আচহুৱা শ্রেণীবদ্ধহীন মানুহ হবলৈ দিয়ক। কিন্তু তথাপি তেওঁক শ্রেণীবদ্ধহীন হবলৈ দিয়ক। মানুহে যেতিয়া তেওঁক বেপাৰী, গৃহস্থ বা নাগৰিক, বৈভৱশীল মানুহ, জগতৰ মানুহ, পাণ্ডিত্যৰ মানুহ, বা আনকি ব্যৱহাৰিক জ্ঞান থকা মানুহ বুলিও কয়, তেওঁৰ চাৰিত্রিক বৈশিষ্ট্য শেষ হৈ যায়। তেওঁলোকে কবই লাগিব অথবা মৰিব লাগিব; আৰু তেওঁলোকে মৰিব লগা হলেও, তেওঁলোকে কব। তেওঁলোকৰ কোনো বিশ্রাম নাই কিন্তু মাটি আৰু সাগৰৰ ওপৰেদি, শিল আৰু পথহীন মৰুভূমিৰ ওপৰেদি খৰখেদাকৈ যায়। তেওঁলোকে উচ্চস্বৰে মাতে আৰু কাকো বাদ নিদিয়ে, আৰু বাধা নামানে। কাৰাগাৰবোৰত তেওঁলোকে তেওঁলোকৰ মাত তোলে, আৰু সমুদ্ৰৰ ধুমুহাবোৰত তেওঁলোক নীৰৱ নহয়। ভয়ংকৰ পৰিষদ আৰু সিংহাসনত বহা ৰজাবিলাকৰ আগত তেওঁলোকে সত্যৰ হৈ সাক্ষ্য দিয়ে। মৃত্যুৰ বাহিৰে অন্য একোৱেই তেওঁলোকৰ মাত নিৰ্বাপিত কৰিব নোৱাৰে, আৰু মৃত্যুৰ দফাত, অগ্নিৰ কুণ্ডলী আৰু বাগৰি অহা ধোঁৱাই প্ৰাণ অংগক শ্বাসৰুদ্ধ কৰাৰ আগতে, তেওঁলোকে কথা কয়, তেওঁলোকে প্ৰাৰ্থনা কৰে, তেওঁলোকে সাক্ষ্য দিয়ে, তেওঁলোকে স্বীকাৰ কৰে, তেওঁলোকে কাবৌ কৰে, তেওঁলোকে সংঘৰ্ষ কৰে, আৰু অৱশেষত নিষ্ঠুৰ মানুহবোৰক আশীৰ্বাদ দিয়ে।[১]

প্ৰভু যীচুৱে আজি তেনে ধৰণৰ পুৰুষ আৰু নাৰীক বিচাৰি ফুৰিছে।

তেওঁ সদায় যিদৰে বিচাৰি আহিছে সেইদৰে বিচাৰিছে, তেওঁৰ নিৰূপিত পথত উদ্দেশ্যহীনভাৱে অনাই-বনাই ফুৰা জাকক নহয়, কিন্তু স্বকীয় পুৰুষ আৰু নাৰী বিচাৰিছে যাৰ অপৰিসীম আনুগত্য এই কথা বুজি পোৱাৰ পৰা জাগি উঠে যে তেওঁ সেইবিলাক লোকক বিচাৰে যিবিলাকে তেওঁলোকৰ আগতে তেওঁ খোজ দিয়া আত্মত্যাগৰ পথ অনুসৰণ কৰিবলৈ প্ৰস্তুত।[২]

তেওঁ বিচাৰে ৰওলেণ্ড হিলৰ দৰে মানুহ যাৰ কথাবোৰ "তেওঁৰ

অন্তৰৰ পৰা তপত লাভাৰ দৰে নিৰ্গত হৈ ওলাইছিল।” তেওঁ বিচাৰে চামাৰ্ছৰ দৰে মানুহ যিজন তেওঁৰ “তেজস্বী-আন্তৰিকতা”ৰ বাবে প্ৰসিদ্ধ আছিল। তেওঁ বিচাৰে হেন্ৰী মাৰ্টিনৰ দৰে মানুহ যিজনে কৈছিল, “এতিয়া মোক ঈশ্বৰৰ বাবে জ্বলি ছাঁই হবলৈ দিয়া।”

আজিৰ বহুতো যুৱক-যুৱতীয়ে তেওঁলোকৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ বছৰবোৰ ব্যৱসায়লৈ দিবলৈ আগ্ৰহী। তেওঁলোক তেওঁলোকৰ দেশৰ বাবে মৰিবলৈ আগ্ৰহী। ভাল দৰমহাৰ বাবে তেওঁলোকে গোটেই পৃথিৱী ভ্ৰমণ কৰিব। ৰাজনৈতিক দলৰ বাবে তেওঁলোকে দিনে-নিশাই কাম কৰিব।

সংগীতজ্ঞ হবলৈ, তেওঁলোকে তেওঁলোকৰ আঙুলি প্ৰায় হাড়লৈকে জীৰ্ণ হবলৈ দিব। পুৰোহিত বা সন্ন্যাসিনী হবলৈ, তেওঁলোকে বিয়া নকৰাবলৈ একান্ত শপত লব। অভিনেতা হবলৈ, তেওঁলোকে দীঘলীয়া আৰু কঠিন পদ মুখস্থ কৰিব। বিশেষ বৃত্তিত প্ৰৱেশ কৰিবলৈ, তেওঁলোকে সম্পূৰ্ণ দহ বছৰ অধ্যয়ন কৰিব। প্ৰভু যীচু খ্ৰীষ্টৰ বাবে কি কৰিবলৈ আপুনি আগ্ৰহী? আপোনাৰ অন্তৰৰ কেৱল এটা অংশ, বা আধা অংশ নহয়; আপুনি সমস্ত তেওঁক দিব নে?